অনপেক্ষিত

THE ... LIBRARY
10 JUL 1959
GAUHATI

—ৰাম হাজৰিকা

প্ৰকাশক ঃ—
শ্ৰীৰাম হাজৰিকা
দেৰগাওঁ

প্ৰথম প্ৰকাশ
১৯৫৯ চন

ছাপা শাল ঃ—
লক্ষ্মীদা প্ৰেছ, দেৰগাওঁ
মুদ্ৰাকৰ ঃ—শ্ৰীকনকেশ্বৰ বড়া

দাম ঃ—এটকা মাত্ৰ ।

(লিখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত)

—মোৰ কবলগীয়া—

'অনপেক্ষিত' মোৰ প্ৰথম সৃষ্টি। পাঠক-পাঠিকা সকলৰ আগত এষাৰ কথাকেই কব খোজো যে 'অনপেক্ষিত'ত ভাষা-সাহিত্যৰ ৰস বিচাৰ কৰিলে নিজে-নিজে ঠগ খাব লাগিব। 'অনপেক্ষিত' চুটি গল্প নহয়, উপন্যাস ও নহয়। মুনিচুনি বেলিকা 'ঘোষ ডায়েৰী'ত চাহ খাবলৈ বহি বন্ধুৰ আগত কোৱা অৰ্দ্ধসত্য দুৰ্বোধ্য কাহিনীৰ বাক্যান্তৰ মাথো। আধাঘণ্টা ধৈৰ্য্য ধৰক। গুনাগুণ হাতে-হাতে পাব।

ইতি।

দেৰগাওঁ
১ জুন, ৫৯

—লিখক—

শলাগনী

অনপেক্ষিত যাৰ দ্বাৰা পোহৰলৈ ওলায় আহিল সেইয়া লক্ষ্মীদা প্ৰেছুৰ গৰাকী, বন্ধু শ্ৰীনোমল খাওন্দৰ উৎসাহ, উদ্দীপনা আৰু অনুপ্ৰেৰণা। আৰু বন্ধু শ্ৰীকালী প্ৰসাদ গোস্বামীৰ সহায়-সহানুভূতিৰ শলাগ ললো।

—ৰাম—

JUL 1959

—এক—

১৯৫৭ চন। এটা অযুগ্ম বছৰ অসমতাই ইয়াৰ সম্পূৰ্ণতা।

এইয়া মোৰ দুটা বছৰৰ দোমোজাৰ উপলব্ধি। এফালে যোৱাৰ আনন্দ। প্ৰশান্ত আকৃতি; অম্লান তাৰ প্ৰকৃতি। আৰু এফালে অহাৰ আনন্দ—উখল মাখল। ক্ষীপ্ৰ ইয়াৰ গতি। উগ্ৰ ইয়াৰ মতি। 'ইয়াৰো অলপ তাৰো অলপ' কৈ দুয়োটাৰ সীমান্তইদি বৈ যাব এটি থুপথুপীয়া ধাৰা। উগুল-থুগুল তাৰ ভাৱ।

ইয়াৰ আগলৈকে মোৰ দিনবিলাক সমভাৱাপন্ন আছিল। হয়তো ৰহস্য বহুল প্ৰকৃতিৰ লগত ওতঃপোত ভাৱে জড়িত মানৱ দেহৰ গুপ্ত আৰু সুপ্ত তথ্যবিলাক মোৰ উপলব্ধিৰ চাবি বেৰৰ বাহিৰত আছিল। মনৰ সমতাৰ ইফাল সিফাল নহৈছিল। আশা আকাঙ্ক্ষাৰে ভৰা হিয়া।

ডিগ্ৰী পৰীক্ষা দিবৰ কাৰণে ঘৰৰ পৰা আনি মোক নগৰত ৰাখিছে। নগৰত তেনে কোনো আত্মীয় মানুহ মোৰ নাই। আত্মীয়তাৰ আকৰ্ষণ গাওঁৰ মাজতে শেষ। নগৰত খৰিৰ পৰা খেৰলৈকে কিনিব লাগে। খৰছৰ মাত্ৰা অধিক। মাহে মাহে ঘৰ ভাৰা দিব নোৱাৰিলে গিৰিহঁতে জুলুম দিয়ে ক্ষান্ত নাথাকে, ঘৰ এৰি দিবলৈ নিৰ্দ্দেশ দিয়ে। ধোবাটোক কাপোৰখিনি ধোৱাৰ, মুচিটোক জোতাজোৰ চিলাই কৰি দিয়াৰ দামখিনিও দিয়া উচিত। মাহে মাহে কলেজৰ 'ফি' দিব নোৱাৰিলেও নাম কাটে। মেচৰ দিবলগীয়াখিনি সময় মতে নিদিলে ভাত বন্ধ কৰে। নিয়মৰ ব্যতিক্ৰম নহয়। জীৱ লগা মানুহৰে ব্যতিক্ৰম হয়। ঘৰলৈ টকা খুজি মাহে মাহে একোখনি চিঠি লিখো। ঘৰৰ আৰ্থিক অৱস্থা অভাৱ অনাটন বিলাক মোৰ চকুৰ আগলৈ ভাঁহি আহে। মই ভাৱিব নোৱাৰো, এমুঠি ভোকাতুৰ প্ৰাণীৰ ওচৰত মই কিমান জগৰীয়া! মোৰ কাৰণে মুখৰ টোপ হেৰুৱাব লাগিছে নিতে। আৰু তাৰ বিনিময়ত মোৰ মুখলৈ সতৃষ্ণনয়নে চাই আছে ভৱিষ্যত সুখৰ সপোন আপ্লুত হৈ।

কেতিয়াবা ঘৰলৈ আহো। নিজকে বৰ অচিন অচিন লাগে। সৰু সৰু লৰাছোৱালী মখা আহো নাহোঁকৈ ওলাই আহে মোৰ আগলৈ। সিহঁতৰ মুখলৈ চাবলৈ ভয় লাগে। সিহঁতৰ মুখ বিলাক শুকান আৰু

মলিন। সিহঁতে কথা নকয়। মোৰ মুখলৈ চাই থাকে একেথৰে নিলগৰ পৰা। সিহঁতৰ চালুকীয়া মন বিলাকে সুধিব বিচাৰে— সিহঁতৰ মুখৰ আগৰ কাঢ়ি নি খায় নগৰত মই কিমান শকত হৈছো! অসন্তুষ্টিৰ প্ৰকাণ্ড অভিযোগ লৈ মোৰ ওচৰলৈ অহা এটা সজাতি দল। সিহঁতক প্ৰতিকাৰ লাগে। মোৰ বেয়া লাগে। কি প্ৰতিকাৰ দিম সিহঁতক! সিহঁতক মৰমেৰে ওচৰলৈ মাতো। খাবলৈ দিও সিহঁতক একোটা চকলেট। সিহঁতে পাহৰি যায় নিজক। সিহঁতৰ মুখ বিলাক ৰঙা হৈ পৰে। সিহঁতে হাঁহে, কথা কয়—অসলগ্ন। মোৰ ভাল লাগে। মৰম পালে সিহঁতে দুখ বেজাৰ পাহৰি পেলাব পাৰে।

অকলশৰীয়াকৈ মাই মোক ৰান্ধনি ঘৰলৈ মাতি নিয়ে। জুহালৰ ওচৰত পীৰাখন পাৰি বহিবলৈ দিয়ে। ডেৰ বছৰীয়া ভাইটিটোৱে তেতিয়াও মজিয়াত বাগৰি বাগৰি কান্দিয়ে থাকে। সি নুবুজে। তাৰ মুখৰ আগত উবুৰি খাই পৰি থাকে এটা বাতি। মোক সোমায় যোৱা দেখিলে সি মাটিতে লেপেটা কাঢ়ি বহে। পৰি থকা বাতিটো আলফুলকৈ কোলালৈ তুলি লয়। চকুহাল তাৰ ৰঙা। তাৰ নিঃসহায় কাতৰ চাৱনিটোৱে মোক বিছলিত কৰি পেলায়: মাই ভাতৈ কাণসাৰ নিদি মোৰ খোৱা বোৱাৰ দিহা কৰাতে ব্যস্ত। আল-ফুলকৈ তাক মোৰ কোলালৈ তুলি লও। লেউ-সেউ হৈ

সি মোৰ বুকুত সোমাই পৰে। মোৰ বুকুখন কপি উঠে। এইখিনি সময়তে বাকীবিলাকেও খোৱা চাবৰ কাৰণে মাৰ আঁৰে আঁৰে মোৰ চাৰিও ফালে ঘূৰি ফুৰে। নাখাই মুখুৰাই সাচি ৰখা গাখীৰৰ দৈ খিনি মাই মোৰ বাতিটোত ভৰাই দিয়ে। ভাইটি মোৰ কোলাত বহি থকা দেখিলে মাই খং কৰি কয়—"তাক আকৌ আসৈ দিছ কিয়! এই মাত্র খাই খাই গৈছে। পায় থাকিলে সি খায়ে থাকিব। তাৰণো কি! চাও তাক মোক দে।" বুলিয়েই তাক মোৰ কোলাৰ পৰা টান মাৰি আঁতৰাই নিব। আৰু 'হো খা' বুলি মজিয়াত পৰি থকা তাৰ বাতিটোত টেকেলিটোৰ পৰা পানী অলপ মানকে বাকি দিব। মোৰ মনটো কিবা কিবা লাগে। পেটে পেটে মোৰ হাঁহিও উঠে। "ইহঁতকো দে। মোৰ ভোকেই নাই।" কিবা এটা আশাত আটাইমখা মোৰ ওচৰ চাপি আহে তেতিয়া। দৃষ্টি সিহঁতৰ মোৰ জল-পানৰ বাতিটোত। মাৰ অন্তৰতো কিবা এটা অজান আলোড়ণ হয়। অগত্যা উপাই নাপাই মৰমৰ সুৰতে সিহঁতক কয় "তোমালোকে সদায় খায় থাকা নহয়! দাদাই আজিহে খাব! যোৱা বাহিৰলৈ যোৱা।" নিৰা-শাত সিহঁতে মোৰ মুখলৈ চায়। মুখবিলাক ওন্দোলাই সিহঁত আঁতৰি যাব খোজে। সিহঁতক মই বহুৱাই ৰাখো, সিহঁতক নিদিয়াকৈ মই কোন সতেৰে খাম। ভগবানে

যেন তেনে ইচ্ছা মোক কোনো কালে নিদিয়ক। মাৰ বাধাৰৈ কাণ নিদি সমস্ত বাতিটো সিহঁতৰ মাজত ভগাই দিও। মাক কও—"চাচোন, ইহঁত আটাই মখাই কেনেকৈ মোৰ জলপানৰ বাতিটোলৈ চায় আছে। বেয়া নেলাগেনে বাৰু? মাৰ পৰা কোনো উত্তৰ নাপাও। মাথো টেকেলীটোৰ বাকীখিনিও আমাৰ মাজত ভগাই দিয়ে। অৱশ্যে মোৰ ভাগত অলপ সৰহকৈ পৰে। সেয়েহে অকনিহঁতে মোক ভাল পায়। খৰলৈ সঘনে মাতে।

পাচদিনা যেতিয়া আহিবলৈ ওলাও মাই সাঁচতীয়া ধনৰ টেমাটোৰ পৰা কেইটামান টকা মোৰ হাতত গুজি দি কয়—"কিবা কিবি কিনি খাবি। খোৱা লোৱাত বৰকৈ কষ্ট নকৰিবি। পঢ়া শুনা ভালকৈ কৰিবি।" মই কোনো উত্তৰ দিব নোৱাৰো। মনতে ভাৱো ঠিক আছে পাচ কৰিব লাগিব। বাটত আহোতে ঘৰখনৰ কথা, মাৰ মৰমৰ কথা আৰু আমাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথাকে ভাবো। মোক আদৰ কৰে। মোক মৰম কৰে। মোৰ বিচাৰ লয়। ঘৰখনৰ এনেবোৰ আদৰ যত্নই সময়ে সময়ে মোক সচকিত কৰি তোলে। ঘৰখনে মোৰ পৰা কি আশা কৰে! হয়তো দেখিবলৈ পাইছে যে আমাৰ ভাগ্যৰেখাত সুখৰ বেলি উদয় হবলৈ আৰু বেচি দিন নাই। মই ডিগ্ৰী পাম। ডাঙৰ মানুহ হ'ম। সিহঁতৰ

কল্পনাবিলাকে বাস্তৱত ৰূপ লব। মাজে মাজে একোটা নিষ্ঠুৰ নিৰাশাই মোক সতৰ্ক কৰি দিয়ে; ভাৱ বিলাকত খেলি মেলি লাগে। মই যদি পাচ কৰিব নোৱাৰো, ইমানবোৰ টকা অথলে যাব। মৰম চেনেহৰ নাম নুমাব: মোৰ জীৱনলৈ দুৰ্ণাম আহিব। ঘৰখনৰ মূৰত আকাশী-সৰগ ভাগি পৰিব। মই আৰু ভাৱিব নোৱাৰা হওঁ। অকাতৰে মনে মনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ। "হে দয়াময়, তুমি মোৰ পথৰ সহায় হোৱা।"—কব নোৱাৰো ভগবানে মোৰ কথা শুনেনে নুশুনে।

—দুই—

অকল মানুহবে নহয় প্ৰকৃতিৰ ওপৰত বিৰাজমান জীৱিত অজীৱিত সকলো বস্তুৰে পৰিবৰ্ত্তন আছে। পৰিবৰ্ত্তন মানে কি? ক্ষয়! ই নিয়তিৰ বিধান। নিয়তিৰ চমৎকাৰ খেলা। সময়ত হুহুৱায়; সময়ত কন্দুৱায়। মোহিনী বানেৰে আমাৰ মন বিলাক মুহি পেলাই। সৌ দুটি বালক। ডিঙিত ধৰা-ধৰিকৈ ফুৰিছে আজি। বতাহৰ দৰে মুক্ত সিহঁত। কালিলৈ সিহঁতৰ কি হ'ব? সিহঁতৰ মাজত এখন ত্ৰাসৰ প্ৰাচীৰ সৃষ্টি হ'ব। সৌ থুলন্তৰ পুৰুষ জনৰ আকৌ কি হ'ল! অলৰ অচৰ! দেহৰ সেই কমনীয়তা, মুখৰ সেই গাম্ভীৰ্য্যতা, চকুৰ সেই ভুৱন ভুলোৱা চাৱনি, ক'লৈ গ'ল! যিদিনা তেওঁ খোজত পৃথিৱী কপাইছিল। আজি পৃথিৱীয়ে তেওঁক কপাইছে। তেওঁ আৰু বেচি দিন নাথাকে। ধন্য নিয়তি! তুমি তেওঁৰ ডিঙিত

ভালকৈয়ে চেপি ধৰিছা। ধৰা, তোমাক আমি যেয়া নাপাও। অদৃশ্য তুমি। আতঁৰে আতঁৰে ফুৰা। আঁতৰে আতঁৰে আমাক নাকত ধৰি চাকত ঘুৰাইছা। আমি মানি লৈছো। তুমি আমাক নিয়মমতে নিয়াৰিকৈ নিয়-ন্ত্ৰণ কৰিব পাৰা।

মহাসাগৰৰ বুকুত যেতিয়া প্ৰচণ্ড জোঁৱাৰৰ সৃষ্টি হয়, সুনিপুন নাৱৰীয়াও পঙ্গু হৈ পৰে। অথায়-সাগৰত পৰি কক্-বকাই থাকে। সৰু-সুৰা নাৱৰীয়াৰ কথাই নাই অলপ পানীতে ডুবে সাগৰৰ দুকূল হা-হুমু-নিয়াহেৰে উপচি আছে। তথাপিও সাগৰৰ বুকুত নাৱ-ৰীয়াই নাও বায়ে আছে। সাগৰ নহলে নাৱৰীয়াৰ জীৱন পঙ্গু। সাগৰ থাকিলে জোঁৱাৰ হ'ব। জোঁৱাৰ নহলে কিহৰ সাগৰ।

কব নোৱাৰো মোৰ জীৱনলৈ কেতিয়া জোঁৱাৰ আহিল। সন্মুখত পাৰ হীন মহাসাগৰ। জীৱন তৰী মোৰ টলং ঘটং কৰি বৈ আছে মাজ সাগৰত। দিশ হেৰাই গৈছে। গুৰিয়াল মোৰ মনতো: চিন্তা বিবুদ্ধিত সিও ধোৱা কোৱা দেখিছে।

শিমলু তুলাৰ দৰে মনটো চিতিকি পৰিল। এনে এটা পৰিবৰ্তনৰ কাৰণে মই অলপো প্ৰস্তুত নাছিলো— কল্পনাও কৰা নাছিলো। কিন্তু হৈছে। মই বাধা দিব নোৱাৰো বিকল্পিত ভাৱে ইয়াক মই আদৰি লৈছো।

কূটনীতি বিশাৰদ নিয়তিয়ে মোৰ মনটো এনে- ভাৱে সজাই তুলিলে যে মই চমক খালো। আনন্দত অবাক হৈ বিনা বাক্যই আত্মসমৰ্পণ কৰিলো।

"একোকে নাজানো" বুলি কলে মোক কোনো লোকে বিশ্বাস নকৰে। মই জানো অজ্ঞতাৰ এটা নিজস্ব স্বাদ আছে। হ'ব পাৰে মিঠা; হ'ব পাৰে তিতা। অজ্ঞতা জীৱনৰ গোমে এটা সুন্দৰ অলঙ্কাৰ। অজ্ঞতা মধুৰও বোলে। অজ্ঞতাক মিছা অপবাদ দিবলৈ চেষ্টা নকৰো। এই মুহূৰ্ত্তে মোৰ জীৱনৰ অজ্ঞতা শেষ হৈ গৈছে। মই এতিয়া সম্পূৰ্ণ বিজ্ঞ। অজ্ঞতাৰ অৱসাদ আৰু বিজ্ঞতাৰ পূৰ্ণতাই আজি জীৱনৰ নতুন অভিজ্ঞতা। আজি মোৰ চকুৰ আগত এখন নতুন পৃথিৱী। কিমান ধুনীয়া! ইয়াৰ প্ৰত্যেকটো বস্তুৱেই মোক আকৰ্ষণ কৰিছে।

অন্তৰত মোৰ কিহৰ আবেগ; কিহৰ অনুকম্পা। এক আন্তঃস্ৰোতা নিজৰাৰ উৎপত্তি; ক্ষীপ্ৰ গতি, মৃদু শব্দ। মোৰ ভাল লাগে। এই নিজৰাৰ পাৰত বহি আজি জীৱনটোক নতুনকৈ কল্পনা কৰিছো।

আজি এটা ৰহস্য মই উদঘাটন কৰিছো। ইমান দিনে মই নিজকে ফাকি দি আহিছিলো। আগতে মোৰ মৰমৰ পনীয়া আছিল। যেই সেই মানুহৰ জগতে মিলি গৈছিল। আজিও মোৰ মৰমৰ আকাৰ আয়তনৰ একো বুজি হোৱা নাই; অলপ কমিছেহে।

কিন্তু আগতকৈ বহুত পৰিমাণে ডাঠ হ'ল। যেই কোনো মানুহৰ লগতে মিহলি হ'ব নিবিচাৰে—নভয়।

আগতে মই অজ্ঞ আছিলো। মানুহক ভাল পাইছিলো। কিয় ভাল পাইছিলো? এই প্ৰশ্নৰ উত্তৰ মই কোনো দিনেই চিন্তা কৰা নাছিলো। আজি কালি মানুহ বুলিলে মনলৈ ততালিকে এটা প্ৰশ্ন আহে—"কি মানুহ? পুৰুষনে প্ৰকৃতি? বুঢ়ানে বুঢ়ী? ডেকানে গাভৰু?" ইয়াৰ পাচতহে মৰমৰ বিনিময়। সহজে হিয়াৰ মৰম সোপা ওলাই যাব নোখোজে। বোৱাৰী জীয়াৰীহঁতৰ দৰে মনৰ ফাকেৰে আগতে জুমি চায়। মতাবিলাকলৈ মোৰ ভয় লাগে। বিশেষকৈ বুঢ়াবিলাকক। ইহঁতে আমাৰ মুখলৈ কি চকুৰে চায়। ভয় লাগি যায়। হিয়াৰ মৰম কেনিবা পলায়। ডেকাবিলাকক ভয় নকৰো। ইহঁতলৈ ঈৰ্ষা-হিংসা দুয়োটা ওপজে। মোৰ মৰম একেবাৰেই কম ইহঁতৰ কাৰণে। বহুতে কয় ই মোৰ পক্ষপাতিতাৰ দোষ। মৰম মোৰ শ্ৰেণীবদ্ধ হ'ল। পুৰুষতকৈ প্ৰকৃতিলৈ বেচি মৰম। 'কিয়?' বুলি সুধিলে মই জয় পৰি যাও। তৰ্কত মই একেবাৰে বেঁচা। মাইকী মানুহকো আকৌ সমানে ভাল নাপাও। মৰমৰ সলনি কিছুমানক 'মৰ-মৰ' মৰিবলৈহে শাও দিও। এই বুঢ়ীবিলাক! ইহঁত সোনকালে নমৰে কিয়! বেচেৰীহঁতলৈ পুতো ওপজে। ইহঁতে একো নজনাৰ ভাও ধৰি অভিনয়ৰ আখৰা কৰিবলৈ আহে। এবাৰ এগৰাকী

বুঢ়ায়ে আক্ষেপ কৰি কৈছিল—"বাপু, একালত আমিও আছিলো। এতিয়া ৰণত পৰি কলীয়া তেল নাইকিয়া ক্ষপৰীয়া হলো।" বেয়া লাগিছিল মন্তব্যটো শুনি। কি আছিল সেইটো তেৱো 'ব্ৰেকেট'ৰ ভিতৰতে বুজালে আৰু ময়ো 'ব্ৰেকেট'ৰ ভিতৰতে ৰাখিলো। বোৱাৰী-হঁতক ঈৰ্ষা মিহলি মৰমৰ চকুৰে চাও। ভাবো, জীৱনত সিহঁতেই আৰাম কৰিছে আৰু দুখো লাগে, বেয়াও লাগে আৰু সেই অনুপাতে মৰমো ওপজে আমাৰ জীয়াৰীহঁতৰ কাৰণে। যাৰ চকুত ঘনে ঘনে বিজুলী খেলে, মুখত হাঁহি দুগুছে খোজত ধুমুহা বলে আৰু বাৰে বাৰে বুকুৰ আচল খহি খহি পৰে; ইহঁতক দেখিলে মোৰ মনটো খদমদম্ লাগে। দুখৰ বিষয় মৰমৰ ক্ষেত্ৰত হলে ইহঁতৰ ভিতৰতো শ্ৰেণীবদ্ধ হ'ল। ধুনীয়া আৰু কুৎসিত। ধুনীয়া মানে মুখৰ বৰণ দেখিবলৈ বগা আৰু কুৎসিত কলা। বগী ছোৱালীজনীয়ে মোৰ মৰম সোপাকে কাঢ়ি নিয়ে। কলী ছোৱালীৰ ভাগত আগতীয়াকৈ নপৰে। এইটো কথা বুজা টান যে সকলো মানুহকে বাদ দি এজনী বগী ছোৱালীকে মোৰ মৰমৰ জোলোঙা উদং কৰি দিও কিয়।

—তিনি—

ৰাজমাও পুখুৰীৰ শিলৰ খটখটীৰ ওপৰত বহি হঠাৎ এদিন আবিস্কাৰ কৰিলো স্বচ্ছ সলিল ধাৰাত কপি থকা মোৰ প্ৰতিবিম্বটো। আচৰিত হলো, এইটোৱে মোৰ অবিকল চিত্ৰ! ইমান পাতল, ইমান ক্ষীণ, ইমান জধলাও। সমস্ত শৰীৰ শিয়ঁৰি উঠিল। বুকুখন ধপ ধপাবলৈ লাগিল। পানীৰ তলৰ ছায়াটো কপিয়ে আছে। সেইটো যে মোৰ চবি মই বিশ্বাস কৰিবলৈ টান পালো। লাহে লাহে সোঁহাত খন তুলি মুখমণ্ডলৰ প্ৰত্যেক অঙ্গকে চুই চুই পৰীক্ষা কৰি চালো। সত্য! হুবহু ময়ে প্ৰতিফলিত হৈছো পানীত। ছাঁয়াটোৰ দৰে ময়ো পানীত পৰি নাচি নাথাকি বামতে নাচি থকা যেন লাগিল মোৰ। চুলিখিনি ঠৰঙা-ঠৰং ছুটিকৈ কটা। চকুহাল সৰু সৰু। পানীৰ তলত পিৰিক্ পাৰাক্ কৰি কৰি নাচি আছে। মোৰ খং উঠি গ'ল। আঙুলি

এটাৰে খোচ মাৰি দিলো। ধাৰাসাৰে পানী বিলাক বাগৰি আহিল চকুটোৰ পৰা। মুখ খনৰ কোনো ঠিগ নাই। গালৰ হাড়কেইদাল ওলোৱা। দাঁতবিলাকো কিবাকিবি। এটা আগলৈ এটা পাচলৈ ওলোৱা সোমোৱা। নাকটোও শকত। দুখ আৰু বেজাৰতে এবাৰ হাঁহি চালো। হায় ৰাম! কি বিশ্ৰী দেখায় হাঁহিলে মোক। হাঁহি মোৰ চকুহাল জাপ খায় খায় যায়। গালৰ হাড়-কেইদালে বঢ়িয়াকৈ গা দেখা দিয়ে। পিন্ধি থকা কাপোৰ কানিবিলাকো বৰ পৰিপাটি নহয়। নিজে নিজে বৰ লজ্জিত হলো। ততাতৈয়াকৈ তাৰ পৰা আঁতৰি আহিলো। ছোৱালী বোৰ তালৈ ফুৰিবলৈ আহিব। কিমান ধুনীয়া সিহঁত।

অগলা হলেও জীৱনটোৰ প্ৰতি মোৰ এটা বেলেগ মোহ উপজিছে। জীৱনৰ সতেজ অনুভূতিবোধক মই কেতিয়াও অনাদৰ কৰিব নোৱাৰো। জীৱনটোক মই ভাল পাবলৈ শিকিছো। নিজৰ ৰূপটোৰ প্ৰতি মই সজতে সজাগ। স্বাভাৱিক সৌন্দৰ্য্যৰ অভাৱত নিজকে ধুনীয়া আৰু চকুত লগা কৰিবৰ কাৰণে বহুতো কৃত্ৰিম তথ্য আৰু পথ্যৰ সহায় লৈছো। ক'ব নোৱাৰো এই ক্ষেত্ৰত মই কিমান কৃতকাৰ্য্যতা লাভ কৰিব পাৰিছো। মই সদায় নিজকে বৰ ধুনীয়া বুলি ভাবো। কিন্তু আন আৰু কোনোলোকে মই যে ধুনীয়া এই কথাষাৰ কাচিৎ

ও উচ্চাৰণ কৰা আজিলৈকে মোৰ কাণত পৰা নাই। মই নিজে ধুনীয়া নহও; কিন্তু আনক ধুনীয়া দেখো। মোক কোনেও ভাল নাপাব পাৰে, মই সকলোকে ভাল পাও আৰু ভাল পাব বিচাৰো। ৰূপ মোৰ নাথাকিব পাৰে; মৰমৰ মাদকতাৰে ভৰপুৰ এখন বহল হিয়া মোৰ আছে।

অস্তাগত সূৰ্যৰ শেষ ৰশ্মিৰ পৰশত পূব আকাশখন ৰঙা হৈ পৰিছে—অনুৰাগেৰে ভৰা চুমাৰ পৰশত ৰঙা পৰা কোনোবা ধুনীয়া গাভৰুৰ গালৰ দৰে। ভাবিবলৈ ভাল লাগে। সন্ধিয়াৰ শেষত ঘৰে ঘৰে একোটি চাকি জ্বলিছে ৰঙা নীলা পৰ্দাৰ ফাঁকেদি তৰল পোহৰৰ ৰশ্মিমালা ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহিছে। বাটৰ পৰাই দেখা যায় কোনো কোনোৰ ঘৰত টেবুলৰ ওপৰত সজাই থোৱা কিতাপ কাগজৰ দ'ম বোৰ। টেবুলৰ কাষত বহি কোনোৱে সপোন দেখিছে; কোনোৱে উচ্চস্বৰে অধ্যয়ন কৰিছে।

বৰ অশান্তি লাগে। মই কি কৰিছো! মোৰ কান্ধত এখন গধুৰ দায়িত্বৰ ভাৰ আছে। পৰীক্ষা পাছ কৰা, ডাঙৰ মানুহ হোৱা। আই বোপাইৰ মনত সন্তোষ দিয়া মৰ্য়ো ছাত্ৰ।

কাছাৰি ঘৰত আঠোটা বজাৰ ঘণ্টা। মই মেচলৈ উভতি আহিছো। মেচৰ আনবোৰ লৰা পঢ়াত ব্যস্ত।

সিহঁতৰ ৰুমবোৰ ভিতৰৰ পৰা বন্ধ। ভিতৰত জ্বলি থকা লেম্পৰ পোহৰ কিছু অংশ বেৰৰ জলঙাই দি বাহিৰলৈ ওলাই আহিছে। মোৰ কোঠাটোৰ ভিতৰখন আন্ধাৰ।

ৰান্ধনি ঘৰত খুটুং খাটাং শব্দ। ৰান্ধনি লৰাটোৱে গুণগুণকৈ চিনেমাৰ গানৰ সুৰ ধৰিছে। ভাত খাবৰ সময় হ'ল। ৰান্ধনি হৰ পালোগৈ। পীৰা এখন পাৰি বেৰখনত আউজি বহিলো। মনত ভাল লগা নাই। "কি বাবু, ভাত খাবৰ হে'ল দিয়া নাই নহয়। সোনকালে আহিলে ?" –ৰান্ধনিটোৱে সুধিলে।

"আঠোটা বাজি গ'ল। কাছাৰিত সেইয়া ঘণ্টা দিলে এতিয়াও ভাত হোৱা নাই!"

"কাছাৰি ঘণ্টাৰ লগত ভাতৰ সম্বন্ধ নাই নহয় বাবু। কেচা খৰি, বজাৰ খৰছ পাতিৰ লগতহে মেচৰ ভাতৰ মিতিৰ।"

"হয়নে কি! তেন্তে আৰু কিমান সময় লাগিব ? আৰু দহ পোন্ধৰ মিনিত মানৰ ভিতৰত হ'ব। সময়নো বাৰু কিমান হ'ল! সচাঁকৈ কওকচোন।"

"তোক মিছা ক'বলৈহে আহিলো। চাই ল মোৰ হাতত্তে ঘড়ী আছে।"

"সিমান খিনি পোৱাগৈ হেতেঁন ৰান্ধনিগিৰী কৰিবলৈ নাহো বাবু। আপুনিয়ে পুৰা 'টাইম'টো কৈ দিয়ক।"

'চাৰে আঠ'!–ঘড়ীটোকে চাই থাকিলো। 'চেকেণ্ড চো'

বাবু ন টাতহে আৰম্ভ হয় নহয় হবলা ? তই হবলা 'চেকেণ্ড চো' চাবলৈকো যাবি ? এবা, যাম বুলি ভাবিছো। অলপ 'ফুৰতি-ফাৰতা' নকৰিলে কেনেকৈ থাকো। আপোনালোকে পঢ়িছে শুনিছে ডাঙৰ মানুহ হ'ব। 'চেকেণ্ড চো' আমাৰ নিচিনা হতভগীয়াইঁতৰ কাৰণেহে।
পইছা পালি ক'ত ?
গোহাঁই বাবুৱে দিছে।

বহুত সময় মনে মনে থাকিলো। খাবলৈ আজি কি আছে ? তাক সুধিলো। আজি বৰ দামী খানা বাবু ! জামাদাৰটোৰ কুকুৰা চাৰিটা দুপৰতে আহি পাকঘৰ সোমাইছিল। গোহাঁই বাবুৱে মোক দুৱাৰ খন বন্ধ কৰি থবলৈ ক'লে। এতিয়া তাৰে আঞ্জা।

হাতে হাতে একোটা গিলাচ লৈ লৰাবিলাক পাক ঘৰ পালেহি।

খোৱাৰ লগে লগে সিহঁতে আলোচনা কৰিছে—পঢ়া কথা। পৰীক্ষা পাচত কোনে কি কৰিব ইত্যাদি। ভাত খাই তৃপ্তি নালাগিল। সিহঁতৰ আলোচনা বিলাক আৰু ভাল নালাগিল। সোনকালে খোৱা শেষ কৰিলো। মাংশ খোৱা ন'হল। কিবা তিতা তিতা লাগিল।

কোঠাতো সোমায়ে লেম্পটো জ্বলালো। শুণ্‌শান দৰে নিজম পৰি আছে কোঠাটো। টেবুল খনৰ

ওপৰত কিতাপ পত্ৰ বিলাক যেনি তেনি পৰি আছে। মোৰ পঢ়া কিতাপ পৰীক্ষা পাচ কৰাৰ ঔষধ। পঢ়িম বুলি টেবুল খনৰ কাষত বহিলো। কিতাপ এখন মুখৰ আগত মেলি ললো। বহী এখনো উলিয়াই আনিলো। কলম-টোৰে বহীখনৰ ওপৰত লিখি গ'লো একেৰাহে। কি লিখিছো তাৰ মোৰ খিয়াল নাই। কিছুসময় পাছত মই নিজেই আচৰিত হ'লো। বহীখনৰ ওপৰত ছোৱা-লীৰ কিছুমান কিম্ভূত কিমাকাৰ অৰ্দ্ধনগ্ন চবিহে আঁকি আছো। মই শিল্পী নহও। কোনোদিনে জীৱনত চবি আঁকি পোৱা নাই। আজি আঁকিছো। তাকো ছোৱালীৰ চবি! কলমটো দূৰলৈ দলিমাৰি দিলো। কিতাপ খন জপাই থ'লো। চবি অঁকা পাতখিলা ছিৰি ছিৰি বাহুলৈ ওলাই আহিলো। মনটো বৰ গধূৰ গধুৰ লাগিল। এটা শব্দও মোৰ মনত নৰ'ল।

ৰাতি বাৰ বাজি গৈছে। লৰাবিলাকৰ কিছুমান শুইছে আৰু কিছুমানে পঢ়িয়ে আছে। মিছঁতৰ কোঠা-বিলাকৰ ভিতৰখন পোহৰ।

বাহিৰলৈ ওলাই আহিলো। পিয়াহত অণ্ঠে কণ্ঠে শুকাই যোৱা যেন লাগিল। বাহ্নাৰ কাষৰ পানী কলটো খুলি চালো। পানী নাই। কল আছে পানী নাই। পিয়াহ লাগিছে খাবলৈ পানী পোৱা নাই। পিয়াহ হেৰাই গ'ল। আকাশত জোন নাই। তৰাবিলাক তিৰবিৰাই

আছে। পশ্চিমৰ পৰা পূবলৈ ৰিব্ ৰিব্ বতাহ বলিছে—আইঁত গছৰ পাতবিলাক লৰাকৈ। দূৰণিত মাজে মাজে একোটা কুলি আৰু কেতেকী চৰাইৰ মাত। তিনিআলিৰ মূৰত থকা পকা 'পুল'টোৰ ওপৰত বহিলো। মূৰৰ ওপৰত ষ্ট্ৰীট লাইটটো জ্বলি আছে। বাটৰ কাষে হাউলি থকা গছজোপাৰ দাল এটাত এহাল ফেচা বহি আছে। লাইটৰ পোহৰত সিহঁতৰ চকুকেইটা তিৰবিৰাই উঠিছে। মাজে মাজে, সিহঁত উৰি যায় বহুত দূৰলৈ। আকৌ ঘূৰি আহি আগৰ ঠাইতে বহে। মাজে মাজে মোৰ ফালে চায়। গাটো জোকাৰ মাৰি পাখিবিলাক ভোবোৰা কৰি কেতিয়াবা এটা আনটোৰ ফালে চোঁ মাৰি যায়। মুখত মুখ লগাই সিহঁতে মৰম যাচে—ইটোৱে সিটোক। মনটো মোৰ কেনেবা কেনেবা লাগে। কৃষ্ণচ চৰাই হালৰ অন্তৰতো কিমান ভাল পোৱা—কিমান মৰম! মানুহলৈ সিহঁতৰ লাজ নাই, মানুহলৈ সিহঁতৰ ভয় নাই। সিহঁত কামাতুৰ—কামান্ধ। অলপো ভাল নালাগিল। বহাৰ পৰা উঠি আহিলো। ৰাস্তাৰ সোমাজতে গা চেলেকি চেলেকি শিয়াল এহাল বহি আছে। মোলৈ সিহঁতে কেৰেপকে কৰা নাই: ইহঁতেও মোক উপহাস কৰিবলৈ আহিছে। শিলগুটি এটা বুটলি ললো। আৰু জোৰেৰে সিহঁতৰ গালৈ দলি মাৰি দিলো। সিহঁত দুয়োটা দুফালে দৌৰ মাৰিলে। অলপ

দূৰ আহি ঘূৰি চাই দেখিলো সিহঁত দুটা আকৌ আগৰ জেগাত।

কোঠাটোত সোমায় বৰ নিঃসঙ্গ অনুভৱ কৰিলো। বিছনাত বাগৰি পৰিলো। লেম্পটো জ্বলিয়ে থাকিল। চকু দুটা মোৰ আধা মেল খায়ে আছে। মই সপোন দেখিছো। এজনী ধুনীয়া ছোৱালীয়ে বাতি শুবলৈ আহি বিছনাৰ একোনত বহি কান্দিব লাগিছে। চুলিখিনি তাইৰ আউল বাউল। কাপোৰ কানিবিলাকো অসংলগ্ন। সুন্দৰ সুঠাম দেহৰ কমনীয়তা খিনি ম্লান পৰিছে। মুখখন বিষাদ ভৰা। বহুদিন ধৰি তাই একোটিকে খোৱা নাই। খাবলৈ শত নাযায়। খোৱা পাতত বাহি চকুলো টোকে। খাব নোৱাৰি উঠি গুচি আহে। তাইৰ একোৰে অভাৱ নাই; সদায় বিলাসত ডুব গৈ আছে। সকলোৱে তাইক মৰম কৰে। অথচ তাইৰ অন্তৰত মৰম বোলা বস্তুটো লেশমানো নাই। এই বয়সত তাইৰ কিহৰ অভাৱ। লাগ বুলিলেই সকলো পাইছে। কিন্তু পোৱা নাই, কোনোৱে বুজাও নাই যাক তাইৰ অন্তৰে বিচাৰে। যাৰ আবৰ্ত্তমানত তাইৰ চকুত টোপনি নাই; পেটলৈ ভাত যোৱা নাই। সেই অনিশ্চিত প্ৰেমাস্পদৰ কাৰণে তাইৰ পৰাণে আকুলি বিকুলি হৈ কান্দিছে। কাতৰ চকুৰে তাই এবাৰ মোৰ মুখলৈ চাই মিচিকিয়াই হাঁহিলে। তাইৰ গাল দুখন ৰঙা পৰিল। বিদ্যুতৰ দৰে কিবা এটা শিহৰণে

মোৰ গোটেই গাটো কঁপাই পেলালে। আবেগ বিহ্বল বুকুৰ মাজত তাইক দুই হাতেৰে জোৰেৰে সাবতি ললো। তাইৰ মুখত মই চুমা দিব খুজিলো। তাই সাউৎকৰে মুখখন আঁতৰাই নিলে আৰু জাপ মাৰি মোৰ পৰা আঁতৰ হৈ গ'ল; তাইৰ ভৰিৰ 'ধপচ' শব্দটোত মই চক খাই উঠিলো। মোৰ চেতনা ঘূৰি আহিল। বিচনাখনৰ ওপৰত ওপৰলৈ মূৰ কৰি মই অকলে শুই আছো। বিচনাৰ পৰা গাৰু এটা মাটিত পৰি আছে। শোৱাৰ আগৰে পৰা সেই গাৰুটো মোৰ বুকুৰ ওপৰত আছিল! টোপনিত গাৰুটো মাটিত পৰিছিল। আৰু তেৱেঁই সপোনত পোৱা মোৰ সপোন কুঁৱৰী। সপোনটোৰ কথা ভাবি লাজতে চকু দুটা মুদ খাই যোৱা যেন লাগিল। আকৌ ভালো লাগিল। কি মধুৰ সপোনৰ বিলাসিতা। সপোনটোৰ প্ৰত্যেকটো কথাই মোৰ মনত জাগ্ৰত হৈ ৰ'ল। কোন তেওঁ মোৰ প্ৰনয়িনী, হা-হুতাশেৰে দিনবিলাক অতিবাহিত কৰিছে। তেওঁ ক'ত থাকে! মোক চিনি নাপায় কিয়! ময়ে বা মোৰ জীৱনৰ সংগৰীক কিয় আৰু কিমান দিন অচিন হৈ থাকিম?

—চাৰি—

এদিন ঘৰলৈ আহোতে মাই মুখলৈ চায়ে ক'লে আগতকৈ বহুত ক্ষীণালি ! মাক কোনো উত্তৰ দিব নোৱাৰিলো। এই একেটা কথাকে এদিন এজন বন্ধুৱেও এই দৰে কৈছিল—"পঢ়ি পঢ়ি দেহা পেলাই দিছ। বৰ বেছিকৈ নপঢ়িবি অ'। দেহাইহে বেহা।" —বন্ধু-বিলাকে ভাবিছে মই খুউব পঢ়া আৰম্ভ কৰিছো। মায়ো পেটে পেটে তাকেই ভাবিছো। কিয়নো মোৰ পৰীক্ষা দিনে দিনে ওচৰ চাপি আহিব লাগিছে। আনহাতে যিমানে পৰীক্ষা ওচৰ চাপি আহিছে সিমানে মোৰ পঢ়াৰ পৰা মনটো আঁতৰি আঁতৰি গৈছে। কি ৰোগত আক্ৰান্ত হৈ মই দিনে হুৰিব লাগিছো তাক মাইঁতেও ধৰিব পৰা নাই। বন্ধু বান্ধব বিলাকেও বুজা নাই। যদি মই সিহঁতৰ আগত প্ৰকৃত কথা কৈ পেলাও সিহঁতে মোক ঠাট্টা কৰিব। হয়তো মোক ভিত্তি কৰি বহুতো গল্প

কবিতা লিখি নাম কৰি পেলাব। এনে সন্তীয়া ভৰ্ৎসনা বিলাক মোৰ ভাল নালাগে। সিহঁতক নোকোৱাকৈ বা সিহঁতে নজনাকৈ থকাটোৱে মোৰ কাৰণে মঙ্গলজনক। মাৰ আগত অন্তৰৰ নিৰ্লজ আবেগটোক প্ৰকাশ কৰি দেখুৱাব নোৱাৰো। মোৰ অন্তৰৰ কুম্ভকৰ্ণৰূপী সুপ্ত গ্ৰহটোৱে হঠাৎ সাৰ পায় তৰ্জ্জন গৰ্জ্জনত বসুমতী তল ওপৰ কৰিছে। কেনেবাকৈ মাই জানিব পাৰিলে কাণত সোপা ল'ব। নিজৰ বিশ্বাস হেৰুৱাই পেলাব। মোৰ সুমতি আৰু আৰোগ্য লাভৰ কাৰণে মহাদেৱৰ থানলৈ পূজা এভাগো আগ কৰিব। ৰেজৰ বিহলঙ্গনীৰ কোৰচেৰেকৰ কাৰণেও মই সাজু হ'ব লাগিব। তাকে নকৰিলে শান্তি ক'ত! মোৰ হিয়াখন কোনো প্ৰকাৰে বাহিৰত সহজ ভাৱে প্ৰকাশ কৰিব নোৱাৰো। কিন্তু মোৰ হিয়াত যি দাবানলৰ সৃষ্টি হৈছে তাক মই নিৰ্ম্মূল কৰো কি উপায়েৰে! ই জানো স্বপ্ৰকাশ নহয়! এদিন প্ৰকাশ পাব। তেন্তে আত্মগোপন কৰি থকামানে কি? স্বপ্ৰকাশ হলেও ইয়াক কোনেও ইমান সোনকালে স্বীকাৰ নকৰে। আও-কাণ কৰি থাকিব। বহুতে ভাৱে ই সাময়িক ইন্দ্ৰিয়-জনিত মানসিক উত্তেজনাৰ বাহিৰে অন্য একো নহয়। মানুহ বিলাকৰ পেটতে বৰ খং উঠে। কিয় ইহঁত ইমান স্বাৰ্থপৰ! কব নোৱাৰো মই নিজে কিমান নিস্বাৰ্থ। নিজৰ স্বাৰ্থৰ কাৰণে সমস্ত পৃথিৱীকে স্বাৰ্থপৰ বুলি

ভাবিব পাৰিছো মই। পিতৃ মাতৃ বন্ধু বান্ধৱ সকলো মোৰ শত্ৰু আজি।

মোৰ চিঞৰি চিঞৰি ক'বৰ মন যায়। অন্তৰৰ অনুৰাগেৰে অনুৰঞ্জিত হৈ কাৰোবাৰ অপকাৰ বা অন্যায় কৰিব বিচৰা নাই। পিতৃত্বৰ গৌৰৱৰ কাৰণে হামবাও কৰা নাই মই। কোনো সুন্দৰী যুৱতীৰ পতিত্বৰ ভাৰ তাইৰ সতীত্ব ৰক্ষা কৰিব খোজা নাই। মই অত্যাচাৰী ব্যভিচাৰী বা দস্যু বৃত্তিৰ পৰিপোষক নহওঁ। বা প্ৰেমিক বুলি প্ৰেমাভিনয় কৰাৰ বিলাসিতাও মোৰ নাইকিয়া নকৰো। আৰু এইটোও সত্য যে মোক এখন নাৰী হৃদয় লাগে। অভিনয়ৰ আখৰা বা আমোদ কৰা কাৰণে নহয়। যি জনাই মোৰ আজন্ম দুখীয়া জীৱনটোক স্বীকাৰ কৰি মৰমেৰে বুৰাই ৰাখিব। যাৰ আগত মই নিঃসংকোচ অন্তৰৰ অনুভূতি সমূহক ব্যক্ত কৰিব পাৰিম। যি জনাই মোৰ দুখত এটোপা চকুলোৰে, এষাৰ সুৱলা মাতেৰে মোক সান্ত্বনা কৰিব পাৰিব। যিজনাক মৰমৰ পাশেৰে বান্ধি মোক কৰ্ম্মপথত অনুপ্ৰেৰণাৰে আগ বঢ়াই লৈ যাব। এনে এখন নাৰী হৃদয়কে মই আজি বাৰে বাৰে উপলব্ধি কৰিছো। আৰু কোন্নাৰ বাহুল্য যে তেৱেঁই হ'ব মোৰ প্ৰণয়িনী।

ৰাজনগৰ ৰাজপথত ঘূৰি ফুৰো। লক্ষ্য মোৰ নাই। উদ্দেশ্য নোহোৱা নহয়। কিবা এটা আছে

অনির্দিষ্ট কালৰ বুকুত। ভাগৰ লাগিছে মোৰ গছৰ ছাঁত জিৰণি লৈছো। পিয়াহ লাগিছে, ভোগ লাগিছে তেনে-ভাবেই মাৰ গৈছে। মই অনুভৱ নকৰো। অবিৰাম গতিৰে মই ঘূৰিয়ে আছো, যেন ঘূৰি ফুৰাটোৱে মোৰ কাম। মৰুভূমিত মৰীচিকা দেখা দৰে মোৰ আগে আগে গৈ থাকে এজনী দীপলিপ গাভৰু। তৃষ্ণাতুৰ পথিকৰ দৰে মই তাইক অনুসৰণ কৰো। মই নাজানো মোৰ গন্তব্যৰ শেষ ক'ত! মই গৈয়ে থাকো।

ৰাজপথৰ বুকুৰেদি পাৰ হৈ যায় হাজাৰ হাজাৰ স্কুল কলেজৰ ছোৱালী। সিহঁতৰ খোজত পৃথিৱী কঁপে। হাঁহিত আকাশ খলক লাগে। নিৰ্লিপ্ত চকুৰে মই সিহঁতৰ মুখ বিলাকলৈ চাওঁ। সিহঁতৰ মাজৰ পৰা মোৰ মনৰ ছোৱালীজনী বাচি উলিয়াবৰ ব্যৰ্থ চেষ্টা কৰো। সিহঁত আটাইবিলাকৰ মুখবিলাক একে। সমানে ধুনীয়া সিহঁত। সিহঁতক মোৰ আপোন আপোন লাগে। কিন্তু এজনীকো চিনি নাপাওঁ। সিহঁতলৈ চাই হাঁহিবলৈ যত্ন কৰো—নোৱাৰো। সিহঁতে মোৰ চকুলৈ কেৰাহিকৈ চায়। আঙুলি দিয়ে আৰু নাচায়। সিহঁতে মোক ধেমালি কৰে। মই আশা কৰিছিলো। সিহঁতক বেয়া নাপালো। ভাল লাগে সিহঁতক মোৰ।

বৰ ভাগৰ লাগিছিল। এজোপা গছৰ ছাঁত বৈ আছো। জনসমাগম হীন। এজনী ছোৱালী সেইপিনে

আহিব লাগিছে। খোজবিলাক অস্থিৰ! বৰ ক্লান্ত যেন অনুমান হ'ল। ক্রমান্বয়ে তাই মোৰ ওচৰ চাপি আহিছে। তাইৰ মুখখন ৰ'দত ৰঙা হৈ পৰিছিল। গাৰ পৰা ঘাম-বিলাক বিৰিঙি ওলাইছিল। হাতত কিতাপ কলি। স্কুলীয়া ছোৱালী। স্কুলৰ পৰা আহিছে। খোজ কাঢ়োতে মেখেলাখনে খমখমাই গৈছে। চুলিবিলাক বতাহত কপি আছে—উৰি যাব খোজে। তাইৰ মুখলৈ চালো। মুখ-খন সেমেকা—ঘামত। বৰ ধুনীয়া লাগিল। ছাতিটোৰে আঁৰ লৈ তাই মোক পাৰ হৈ যাব খুজিছে। মনলৈ কিবা এটা মোহাচ্ছন্ন পুলক আহিল। "ভনীটি স্কুলৰ পৰা আহিলা?" তাইক সুধিলো। নেগুৰত গছক খোৱা কেঁচী সাপৰ দৰে তাই ফেট তুলি উঠিল! উত্তৰ দিলে "ক'ৰ অসভ্য অ'।" —শ্বাস্ মোৰ বন্ধ হৈ গ'ল। তাইলৈ চাবলৈ নহ'ল। তাই ভোৰ-ভোৰাই গ'লগৈ। বহুত কিবা কিবি কৈছিল পাচতো। মোৰ আৰু শুনা নহ'ল।

—পাঁচ—

আজি কেইদিন মানব পৰা পঢ়াত মন বহুৱাবলৈ চেষ্টা কৰিও পৰা নাই। পুৰাব পৰা গধূলিলৈকে কোঠাটোৰ ভিতৰতে সোমাই থাকো। বাহিৰলৈ ওলাই যাবলৈ সাহস নহয়। স্কুলীয়া ছোৱালীজনীক লগ পোৱাৰ ভয়ত। তাই আন আন ছোৱালীৰ আগতো মোৰ কথা বিবৰি কব। ইকাণ সিকাণ কৰি মোৰ লগৰীয়া বিলাকেও কথাটো জানিবলৈ সৰহ সময় নালাগিব। পেটত মোৰ এটা ডাঙৰ ভয়। মই ভাৱিব নোৱাৰো। এবাৰ চকীত বহো : এবাৰ বিছনাত দীঘল দি পৰো। কতো শান্তি নাপাও উগুল থুগুলতাৰ মাজেৰে সময়বোৰ কাটি গৈছে।

দুৰ্ভাগ্য যেতিয়া আহে নিয়তিও বোলে তাৰ পাচে পাচে ফুৰে। নিয়তিৰ চক্ৰান্তত চিন্তা-শ্ৰীবৎসৰ দুৰ্দ্দশা আৰু নল-দময়ন্তীৰ কৰুণ বিচ্ছেদৰ বিননি মনত পৰিলে গাৰ নোম শিয়ঁৰি উঠে। দুৰ্ভাগ্য বুলি কবলৈকো নোৱাৰো

—সৌভাগ্য বুলি মানি সবলৈকো টান পাও। তথাপিও ই যেতিয়া মোৰ মনক আনন্দ দিব পাৰিছে দুৰ্ভাগ্য হলেও সৌভাগ্য বুলিয়ে গ্ৰহণ কৰিছো। আমাৰ মেচৰ কাষতে থকা বঙলা ঘৰটোলৈ নতুন মানুহ এজোৰা আহিছে। ডেৰ মাহ মান হৈছে। আজি কেইদিন মানৰ পৰা মই লক্ষ্য কৰিছো ঘৰটোৰ পৰা এজনী ছোৱালীয়ে মোৰ কোঠাটোৰ ফালে সতৃষ্ণ নয়নে চাই থাকে। প্ৰথমতে তাইৰ প্ৰতি বৰ লক্ষ্য কৰা নাছিলো। পৰৰ ছোৱালীয়ে পৰৰ ঘৰত যিয়ে নকৰিলে লাগে চাই মোৰ লাভ কি! কিন্তু মনটো ইমান সহজে পতিয়ন নগল। ধুৰন্ধৰ মন! নকলেও এচাপৰ বাবলৈ বিচাৰে। মনটোৱে মোক উচতাই জোল খায়। বিপদত পৰিলে সি আঁতৰ হয়। কলৈ যায় তাৰ কোনো উৱাদিহ পাবলৈ নাই। ভালে বেয়াই সকলো যেতিয়া মিতমাত হৈ যাব সি মোৰ ওচৰলৈ লেং পেং কৰি ঘূৰি আহে। হাতে ভৰিয়ে ধৰি মোক ভাল লগাব। পৃথিৱীৰ যি কোনো শক্তিৰ বিপক্ষে উঠিব পাৰিলেও ইয়াৰ বিপক্ষে মই মাত মাতিব নোৱাৰো। ইয়াক মই ভয় নকৰো। ইয়াৰ ওচৰত একেবাৰে সেও। ইয়ে মোৰ প্ৰধান দোষ। সি মোৰ কাষতে বহি মিহি মিহি মাতেৰে কয়—'সময় নাই অসময় নাই, সদায় সদায় তাই মোৰ ফালে চাই থকাৰ মানে কি? নিশ্চয় তাইৰ হিয়াত মোৰ প্ৰতি কিবা এটা দুৰ্ব্বলতা জাগিছে।" —কব নোৱাৰো

কিন্তু তাইক ইমান ভাল লগা হল মোৰ। অন্যান্য কুল-শীল যুৱতীৰ কাৰণে মোৰ হিয়াৰ দুৱাৰ মুকলি হৈ গ'ল।

দেখিবলৈ তাই বৰ ধুনীয়া নহয়। শুকান দেহৰ এজনী সামান্য ছোৱালী। চকু দুটা অলপ ডাঙৰ। গালত মঙহ নাই। হাড়কেইডাল উঠা। ওপৰ পাৰি দাঁত অলপ আগবঢ়া। নাকটোও কিবা ধৰণৰ। জোঙা নহয়—শকত। মুখৰ ঠগ্ন জোঙা হাঁহকণী এটাৰ নিচিনা। কঁকালটো সৰু। বুকুৰ চিনেই নাই। মুখৰ বৰণ বগা। তাই কিন্তু বৰ ধনী মানুহৰ ছোৱালী। বাপেক চৰকাৰী হাকিম। সিহঁতৰ ঘৰত মটৰ আছে। তিনি-চাৰিটা চাকৰ আছে। তাইৰ কামৰ ভিতৰত খোৱা পিন্ধা শোৱাৰ বাহিৰে আৰু কিবা আছে যদিও নাজানো। 'ড্ৰেচ' কৰাত তাই হলে পাকৈত। মিনিটতে তাই পোছাকটো সলাব পাৰে। ঘৰত থাকোতেও বৰ বচকী হৈ থাকে। ডাঙৰ মানুহৰ ছোৱালী কাৰণেই তাই ইমান দিন টিকিব পাৰিছে। নহলে কাহানিবাই যমৰ নগৰ দেখিলেহেঁতেন। মই ভাবো ড্ৰেচ আৰু প্ৰসাধন তাইৰ সৌন্দৰ্য্যৰ প্ৰধান আহিলা। সেইখিনিকে পাই নথকাহেঁতেন তাই জীয়াতে মৰা। মোৰ কেতিয়াবা হাঁহি উঠে। শুকান দেহাটোৰ কাৰণে তাইৰ ইমান তদাৰক, ইমান মৰম কিয়! তাইক মোৰ ভাল লাগে। তাইলৈ চাই থাকো একেথৰে। কেতিয়াবা ভাব হয়—ই মোৰ ভাল পোৱাৰ দয়া!

তাল পোৱাৰ যোগ্যতা থাকিলেও তাইক যে লক্ষ্য কৰিব যোগ্যতা মোৰ নাই, সিও সঁচা। তাতে বা মোৰ দয়াৰ পাত্ৰী হ'ব কিয়! তাইৰ নাই কি?

তাইৰ কামবিলাক মোৰ আৰু ভাল লাগে। অকণমানি ছোৱালী এজনীৰ দৰে তাই সদায় দুৱাৰখনৰ কাষত ওলাই বহি থাকে। মুখৰ মাত নাই। মাজে-মাজে মোৰ ফালে চাই, আৰু চালে চায়ে থাকে। কেতিয়াবা কিতাপ এখনকে পঢ়ে। মোৰ হাঁহি উঠে। কিতাপ পঢ়িবলৈ সিমানখন ঘৰত জেগা আৰু তাই কতো নাপালে। কেতিয়াবা সৰু ভায়েক-ভনীয়েকহঁতকে লৈ আহিব লগত, সিহঁতৰ লগত খেলিব, হাঁহিব-চিঞৰিব। মোৰ খং উঠি যায়। এইবিলাক কৰিবলৈ তাইক কিহে পায়! তাইৰ আন কাম নাইনে কি! মোৰ পঢ়িব লাগে। খিড়িকীখন বন্ধ কৰি দিও। ৰুমটো আন্ধাৰ হয়। মনটো আন্ধাৰ! খিড়িকীখন খুলি দিও। তাই আছিল। সৌৱা আহিছে – বহিছে – চাইছে। একো বাগজাল নাই। তাইক ভাল লাগি যায়। হয়তো তাইৰ হিয়াত্তো কিবা একুৰা জুই জ্বলি আছে। তাইক চাই থাকো। নিজানতে আমাৰ চাৰি চকুৰ মিলন হয়। বাতিপুৱা শুই উঠিয়ে ৰুমটোৰ খিড়িকীখন খোলো। তাই তাইৰ দুৱাৰখন খোলে। তাইৰ দুৱাৰ আৰু মোৰ খিড়িকীখন একেডাল সৰল ৰেখাতে পৰে। সেই সৰল ৰেখাৰে আমাৰ দৃষ্টি আহা-যোৱা কৰে। হাজাৰ

চিয়াঁৰে আৰু গাৰ অঙ্গী-ভঙ্গীৰে আমাৰ ভাৱৰ আদান-প্ৰদান হয়। সিহঁতৰ ঘৰত তেতিয়া কোনো শুয়ে নুঠে।

ওচৰলৈ গৈ তাইক হিয়া উবুৰিয়াই কথা কবৰ মোৰ বৰ মন যায়। কিন্তু যোৱা আৰু কোৱা কোনো-টোৱে সম্ভৱ হৈ নুঠে। এবাৰ সাপে খাল ঘূৰিবাৰ লেজুলৈকে ভয় হয়। হয়তো তাই মোৰ দৰে 'চিৰিয়াচো' নহয়। 'চিৰিয়াচ' হয়নো ক'ত। গাত কেখোন 'চিৰিয়াচ' হ'বলৈ ঠায়ে নাই। খন্তেকীয়া সুখৰ বাহন বুলিও তালি-বাজি খন খেলিব পাৰে। কোনে জানে কলি কালৰ ছোৱালীয়ে কি কেলি কৰে। মনতে ভাবো মাতে যদি মাতক তায়ে আগত।

সিহঁতৰ ঘৰত কাম কৰা লৰা এটাই এদিন তাইৰ নামটো কৈছিল। বীণাপানি। মানুহজনী চাই নামটো নহ'ল: আৰু নামটো চায়ো মানুহজনী নহ'ল। তাইৰ নাম হ'ব লাগিছিল শুকানী বা সম্মোহিনী; গাত মঙহ-চঙহ নথকাৰ কাৰণে শুকানী আৰু দূৰৰে পৰা মানুহৰ মন মুহিব পাৰে কাৰণে সম্মোহিনী।

তাই বীণ বাবও নাজানে, গান গাবও নোৱাৰে। মেট্ৰিকত হেট্ৰিকেৰে ফেইল কৰি ঘৰতে বহিছে। তাইক দেখিলে আঠ-দহ বছৰীয়া ছোৱালী বুলিহে ধাৰণা হয়। নিষ্কৰ্মা হৈ বহি থকাতকৈ কিবা এটা কৰি থকা ভাল। কৰে কি! আদৰত উঠিছে, বিলাসত বাঢ়িছে। বজাৰ

গৰাকী নহয়, ধোৱা-পখলাৰ গৰাকী নহয়। খোৱাবহে গৰাকী তাই। খেলা-ধূলা কৰিবলৈকো ভাল মনে মিলা লগ-ভাগো নাই। ভাগ্যৰ ফেৰ। ওচৰতে পাইছে মোক। নাই মোমাইতকৈ কণা মোমায়ে ভাল। আৰু তাতে মোৰ অৱস্থাও পানীত পৰা মানুহৰ নিচিনা। খেৰ এগছ পালেও ধৰিব বিচাৰে তাতে। আমাৰ চাৰি চকুৰ মিলন ৰাজ যোৰাৰ দৰেই হ'ল।

কেতিয়াবা তাইলৈ খং মুঠেকিও নাথাকে। কথা নাই, বতৰা নাই নিবুকা চামোনৰ দৰে ছুৱাৰ খনত ভেজা লৈ বহি থাকে। মনতেহে হেৰ, ছিয়াত যদি যুজৰ কাৰণে দপ্-দপনি উঠিছে ওলাই নাহ কিয়! ছুয়োটাই যুজি চাও একোবলৈ ককালত টঙালি বান্ধি। আকৌ ভাবো, লোকৰ জীয়াৰী ছোৱালী লোকে খুৱাইছে, পিন্ধাইছে ডাঙৰ-দীঘল কৰিছে। খং কৰি দেখুৱাবলৈ মই কোন! গোৰ-গোবাই খিড়িকীখন বন্ধ কৰি দিও। ফুৰিবলৈ ওলাই যাও সিহঁতৰ ঘৰৰ আগেদিয়েই।

ছুৱাৰৰ চুকৰ বীণা পদুলি মুখত। লগত সৰু ভনীয়েকজনী। হাতত ধৰি লৈ ফুৰাইছে। এখোজ আগলৈ এখোজ পাচলৈ ককাল হিলাই হিলাই বীণাই পদুলিৰ মুৰত ফুৰিছে। মাতিয়ে দিমনে কি বীণা বুলি! নহয় নামাতো। মাকজনীয়ে বাৰন্দাৰ পৰা গাই আছে। বীণা বৰ শান্ত ছোৱালী। মোৰ কালে চোৱাকে নাই। চালে

খেৰ কিবা দোষহে লাগিব। মই যেন খাইহে পেলাম।

বীণাৰ মাক জনীলৈ মোৰ বৰ ভয় লাগে। যিহে শকত। চকী এখনত এচকী হৈ সদায় বাৰান্দাতে বহি থাকে। চকু দুটালৈ চাবকে মোৱাৰি। দুয়ে পোৰাদি পোৰে। সেইজনী মানুহৰ যে সেইজনী চেচু যেন ছোৱালী কোনেও ধাৰণাকে কৰিব নোৱাৰে। যাইহওক বীণা বৰ ভাগ্যৱতী। কপালখনো আহল-বহল— ওখও।

দুপৰীয়া সিহঁতৰ ঘৰত কোনো মাথাকে। বীণা অকলে থাকে প্ৰায়। হাকিম কাছাৰিলৈ যায়। হাকিমনী কেতিয়াবা বাৰান্দাতে বহে আৰু কেতিয়াবা আঢ়েমোৰীয়া ওজনৰ দেহাটোৰে বিছনাত বাগৰ দিয়ে। আন বিলাক লৰা-ছোৱালী স্কুললৈ যায়। এইখিনি সময়তে বীণা দুৱাৰ খনৰ কাষত সদায় আহি বহে। ভাত-পানী খায় যে বিচনা খনতে বাগৰি আছো। দুৰত বীণা। মনত নতুন-নতুন ভেঁৱাৰ। বীণাৰ লগত তাহঁৰ সৰু ভনীয়েক-জনী। বেলিটো মূৰৰ ওপৰত। বখিৰোৰ খিড়িকী খনেদি আহি মোৰ বিছনাখনত পৰিছিল। মনত কিবা এটা অসৎ বুদ্ধি খেলালে। বীণাক পৰীক্ষা কৰি চাবৰ মন গ'ল; আইনাখনত বেলিটোৰ ৰশ্মিখিনি ধৰি হেজলীয়াকে তাহঁৰ চকুত পেলাই দিলো। বেচেৰী উঠি গ'ল। সৰু ছোৱালী-জনীকো টানি নিয়াদি নিলে। বিধিৰ বিধৱনা; সকলো আশাৰ মূৰত কুঠাৰাঘাত। বীণাই অংক কৰিলে।

বীণৰ টাঁৰ ছিগি গ'ল। ভয় আৰু হতাশত তুৰাৰধৰ্মৰ কালেকে চাই থাকিলো। বীণা আকৌ আঁহি আগৰ ঠাইত বহিলহি। এইবাৰ অকলে। লগত কোনো নাই। হাতত এখন কিতাপ। আঠু দুটাৰ ওপৰত তাই কিতাপখন মেলি ললে। এবাৰ কিতাপ খনলৈ চায় আৰু এবাৰ মোৰ কালে চায়। ভগৱানে জানে আৰু তাই জানে তাই কি পঢ়িছিল। আইনাখন হাতলৈ তুলি ললো। আকৌ আৰম্ভ কৰিলো। চকুত, গালত, নাকত, মুখত, বুকুত তাইৰ গোটেই দেহাত। নাই, কেৰেপকে নকৰে। কেৰাহিকৈ মোৰ কালে চায় আৰু কিতাপৰ পাতবিলাক লুটিয়াই যায়। একেবাৰে 'চানপ্ৰুফ' হৈ পৰিছে। হাতৰ আইনাখন টেবুলখনৰ ওপৰত ৰাখি বিছনাত দীঘল দি পৰিলো। মনত ন-ন ভাৱ ন-ন সপোন। শুই শুই ভাবিছিলো বীণালৈ এখন দীঘলীয়া চিঠি লিখাৰ কথা। 'ধুম' কৰে হোৱা শব্দটোত বিছনাৰ পৰা খিড়িকী খনেদি মূৰ উলিয়াই বাহিৰলৈ চালো। কি হ'ল মুহূৰ্ত্ততে! বীণাৰ দুৱাৰখন বন্ধ। আৰু বীণাৰ মাকে কঁকালত হাত দুখন দি বাৰন্দাৰ পৰা মোৰ কোঠাটোৰ কালে উগ্ৰ মূৰ্ত্তিৰে চায় আছে। মূৰটো আঁতৰাই আনিলো আৰু লাহেকৈ খিড়িকীখন বন্ধ কৰি দিলো।

কিছুসময়ৰ পাচত বীণাইতৰ ঘৰৰ চাকৰৰ' লৰা এটাই এটুকুৰা কাগজ মোৰ হাতত দিলেহি।

কোনে দিছে অ’?—ভাবিছিলো বীণাৰ চিঠি।
মেমে দিছে।—
ক’ৰ মেম অ’ সেইজনী?—
আমাৰ মেম।—
কি হ’ল পিচে তইঁতৰ মেমৰ?—চিঠিখন খুলি চালো। মূৰটো ঘূৰি গ’ল। মেমে লিখিছে—“কলেজত অভদ্ৰামি আৰু অসভ্যালিখন শিকিবৰ কাৰণে ঘৰৰ পৰা পঠাইছেনে কি? আজিৰ পৰা সতৰ্ক কৰি দিছো। নিজৰ চৰিত্ৰ নষ্ট কৰাৰ উপৰিও ছোৱালীৰ চৰিত্ৰ নষ্ট কৰিবলৈ কৰা চেষ্টাৰ অভিযোগৰ শাস্তি গুৰুত্বৰ।—”

চৰিত্ৰ! বাঃ মেমৰ মেম হেন কথা। কাগজ টুকুৰা কাজি পেলালো।

বীণাই কি কৰিছে অ’?—
কি কৰিব আৰু! বহিয়ে আছে হ’বলা। আপোনাৰ লগত খেলা কৰি থকা আজি মেমে দেখিলে। বৰ কাবা মেম!—
যাৰু যা!—তাক পঠিয়াই দিলো।

সেই দিনাৰ পৰা বীণাৰ চুৱাবখন বন্ধ। বীণাও ঘৰত নাথাকে স্কুললৈ যায়। সদায় এটা চাকৰে অনা নিয়া কৰে। মনৰ সপোনবিলাক মনতে জহি যাব ধৰিছে। বীণাক লগ ধৰা নহ’ল, কোনোও নহ’ল। আৰু ভৱিষ্যতে হ’ববো সম্ভাৱনা নাই। মনটো বৰ উকঙা উকঙা লাগিল।

—ছয়—

দিনবিলাক বৰ দুৰ্ব্বহ যেন লাগিল। মনত অলপো শান্তি পোৱা নাই। পৰীক্ষাও নিচেই ওচৰত। পঢ়া-শুনা মুঠেই কৰিব পৰা নাই। পঢ়িবলৈ বহিলে বীণাৰ কথাকে মনলৈ আহে বেচি। পঢ়া নহয়। তাইৰ বন্ধ দুৱাৰখন দেখিলে বুকুখন মৰি যায়। চাকৰটোৰ লগত স্কুললৈ অহা যোৱা কৰা বীণাক মই সদায় দেখো। বাটলৈ ওলাই আছো। কিন্তু নিমিষতে মোৰ আশা বাসনাবোৰ জয় পৰি যায়। কিবা এটা দুৰ্বোধ্য ভাবনাই মোক জৰ্জ্জৰিত কৰি পেলায়। বীণাক লগ ধৰিব নোৱাৰো। সময়ে নিদিয়ে।

লৰাবিলাকে পৰীক্ষাৰ কাৰণে পঢ়াত ব্যস্ত। অন্য চিন্তা নাই সিহঁতৰ। সিহঁতৰ মাজত মই এটা জ্যামিতিৰ স্বতঃসিদ্ধ। মালৈ, ঘৰখনলৈ মনত পৰে। মই কি কৰিছো, মই পঢ়িব পৰা নাই কিয়! অজান

বেদনাত মোৰ হিয়াখন ভাগি টুকুৰা টুকুৰ হৈ যায়।

পৰীক্ষা দিবলৈ গৈ পৰীক্ষা হলৰ পৰা ওলাই আহিলো একো নিলিখাকৈয়ে। এজন প্ৰফেচৰে মোৰ কৰি বহুবাৰ দি কৈছিল—লিখাচোন লিখা। যি পাৰা সেই খিনিকে লিখা। ইমান সোনকালে ওলাই যোৱা কিয়। আৰু এটা বছৰ এনেয়ে যায়। নিঃসহায় ভাৱে তেওঁৰ মুখলৈ চোৱাৰ বাহিৰে মোৰ আৰু কোনো উপায় নাছিল। মই কি লিখিম! একোকেযে নোৱাৰো। মোৰ মনত যে একো নাই। কাক সুধিম! কোনে মোক কৈ দিব। লগৰীয়া বিলাকলৈ চালো। সিহঁতে লিখিয়ে আছে। তেতিয়া মোৰ হিয়াত কি প্ৰতিক্ৰিয়াৰ উদয় হৈছিল কব নোৱাৰো, নিঃশব্দে বহীখন টেবুলৰ এপাৰৰ ওপৰত ৰাখি ওলাই আহিলো। মেচলৈ আহি বিছনাখনত দীঘলকৈ দি পৰিলো। মই একো ভাবিব নোৱৰা হলো। চকু দুটা মোৰ থিৰ হৈ আছে। মোৰ কি হ'ল! [illegible]দেবা, মোৰ কলৈ গ'ল! মোক প্ৰৱঞ্চনা কৰিলে। [illegible]নক মই কি দিলো! চকীখনত বহিলো। দাম্ভিক কিবা এটা শক্তিয়ে মোৰ মনটো দুভাগিকৈ অধিকাৰ কৰি পেলালে। সেই দিনা ৰাতিয়ে ঘৰলৈ গুচি আহিলো। মনত পৰিছিল বীণালৈ। তাইৰ কথাৰ হিয়াৰ ওপৰত মৰম খিনিলৈ। বীণাক লগ পোৱাৰ উদ্দেশ্যে মোৰ শোচনীয় ভাৱে পৰাস্ত। আমাৰ পৰিচয় হোৱাৰ আৰু

কোনো সু-পথ নাই। চিৰদিনৰ কাৰণে আমি অচিন হৈয়ে ৰ'লো। হয়তো দুদিনৰ পাচতে বীণাই মোক পাহৰি পেলাব। মই জানো তাইক পাহৰিব পাৰিম।

বহুত দিন ঘৰতে চুপ চাপ সোমাই থাকিলো। কেনিও ওলোৱা নাই। কাকো কথা কবৰ মন নাযায়। খোৱা লোৱাত ও ৰাপ নোহোৱা হৈছে। মাই মাজে সময়ে দুই চাৰি আষাৰ লঘু গালি দিয়ে। আগৰদৰে মৰম কৰি খাবলৈ নিদিয়ে। মোৰ বৰ দুখ লাগে। অলপ খং উঠিলেই মাই কয়—"পঢ়া লৰাৰ পঢ়া কাম। খোৱাৰ চিন্তা নাই, টকা পইচাৰ চিন্তা কৰিব নালাগে। সিমানতো আৰু পঢ়িব নোৱাৰিলে কি কৰি খাবি! আনবিলাক লৰাইও তই পঢ়াখোৰকে পঢ়িছিল। সিহঁতে পাৰিলে, তইনো নোৱাৰ কিয়?" মাই বহুত দিনলৈ আৰু একো নকয়।

মোৰ হিয়াৰ মাজত বাৰে বাৰে প্ৰতিধ্বনিত মাৰ এষাৰ কথা—"আনবিলাক লৰাই পাৰিলে তই নোৱাৰ কিয়?" —মই বোবা হৈ যাও। মই কি? কেতিয়াবা মাই আকৌ ক'ব—"পঢ়িব শুনিবৰ আৰু মন নাই যদি কাম বন এটাকে যোগাৰ কৰি লব পাৰ। কিমানলৈ ঘৰৰ ভিতৰতে সোমাই থাক! মাৰ কথাৰ অন্ত নাই।

ঘৰৰ আনৰিলাকেও এপালি দুপালি দিবলৈ নাপাহৰে। মাৰ ওচৰত অপৰাধী মই; ঘৰখনৰ ওচৰত অপৰাধী। কি কৰিম মই! পৰীক্ষা পাচ কৰা ন'হ'ল: ডাঙৰ মানুহ হোৱাৰ আশা পানী হৈ গ'ল। সকলোৰে মোৰ ওপৰত খং। খং উঠে, বিৰক্তি লাগে বৰ, যেতিয়া 'ক'ৰ তিনিটা চুক চিনি নোপোৱা এজনেও মোৰ সমালোচনা কৰে। সিহঁতকো মই মুখ খুলি কোনো কথা কব নোৱাৰো। গালি গালাজ শুনি শুনি মনতো ভূগলা হ'ল। ঘৰত থাকি অলপো ভাল নালাগে। ফুৰিবলৈ যাব নোৱাৰো। ওলাই গলেই সকলোৱে সোধে পৰীক্ষাৰ কথা। অথচ সিহঁতে স-বিশেষ জানে।

এদিন মণিকাহঁতৰ ঘৰলৈ গ'লো। মণিকাহঁতৰ ঘৰৰ লগত আমাৰ বোলে মাহী পেহীৰ সম্বন্ধ লাগে। মণিকাহঁতৰ ঘৰলৈ দেৰাৎ আগতেও এদিন গৈছিলো। তাইৰ বয়স তেতিয়া আঠ, ন বছৰমান হ'ব। নাকত শেঙুণৰ খোপা। চকুত কেচকুৰি। লোদোৰ পোদোৰ মঙহৰ ছোৱালীজনীয়ে সময়ত এনেকুৱা চকুত লগা এজনী হ'ব মই ভাবিবই নোৱাৰিছিলো। সম্ভৱ সেই-সময়ৰ মণিকাজনীক মোৰ মুঠেই ভাল নালাগিছিল।

আজি মণিকা আগৰ মণিকা হৈ থকা নাই। বৰ এজনী হ'ল। দেখিলে ভাল লাগে; মমম ওপজে কেচকুৰিৰ ঠাইত চকুত কাজলে শোভা পাইছে। মদনখো

পুৰি ছাই কৰিব পৰা জ্যোতি তাত। শেলুৰ শুকাই গালত কৰপ ব্যক্তি থকা নাই। গালত স্নোৰ মৃদু গোন্ধ। খোজত চঞ্চলতা। কথাত কোমলতা। আৰু বুকুত পূৰ্ণ যৌৱনৰ পয়োভৰ। মণিকাঞ্জনীক বৰ ভাল লাগিল। তাই এইবাৰ নাইনলৈ প্ৰমোচনো পাইছে। বাপেক কেৰাণী।

মণিকাৰ পঢ়া কোঠা পালোগৈ। তাই নাছিল। কিতাপ-পত্ৰবোৰ টেবুলখনৰ ওপৰত চেদেলি–ভেদেলি হৈ পৰি আছে। অনুমান হ'ল এইমাত্ৰ পঢ়াৰ পৰা উঠি গৈছে। আকৌ আহিব। কৌতুহল বশতঃ তাই আধা পঢ়ি এৰি থৈ যোৱা কিতাপখনৰ পাতবিলাক লুটিয়াই চালো। সেইখন তাইৰ পাঠ্য পুথি নহয়। মুকলি চিঠিৰ দ্বিতীয় খণ্ড' কিতাপখন আগৰ অৱস্থাতে ৰাখিলো। অন্য এখন কিতাপ হাতত লৈ পাতবিলাক এনেয়ে লুটিয়াই আছো। মণিকা কৰবাৰ পৰা উধাতু খায় সোমায় আহিল। টেবুলৰ ওপৰত এৰি যোৱা কিতাপখন লাহে-লাহে আঁতৰাই নিলে। তাইৰ চকুলৈ চালো। লাহতে তাইৰ গাল দুখন ৰঙা হৈ পৰিছে। মন ধুনীয়া জনী ছোৱালী? নাকটোহে অলপ চুটি। নহলে সকলো ঠিকেই আছিল। নাকটো চুটি হোৱাৰ কাৰণে বুদ্ধি বিলাকো চুটি। সেইখনেনো কি কিতাপ চাও –
নালাগে চাব। চালেনো কি হ'ব ?— তাই অলপ বিৰক্তিৰে ক'লে।

কিবা দোষ লাগিব জানো ?—

দোষ নালাগে যদি চোৱা।—তাই কিতাপখন টেবুলত থলে।

কোনে পঢ়িছিলে ?—

ন-বৌৱে।—

তোমাৰ টেবুলত। তোমাৰ হাতত যে ?—

মোৰ টেবুলত পঢ়িব নাপায়নে কি ? ন-বৌৰ হাত-ভৰি নাইকিয়া বুলি নাভাবিবাচোন।—

পঢ়া। তুমিও পঢ়া। পঢ়াত ক্ষতি কি ? কিন্তু এই খণ্ড যে তোমাৰ কাৰণে নহয়। বিবাহিতাৰ কাৰণেহে, বঙ্গা আখৰখিনি নেদেখিলানে নপঢ়িলা ?—

বিয়া জানিবা নকৰালোৱেই পিচে কি হ'ল ?—

একো নহয়। উপকাৰীতানে আৱশ্যকতাৰ কাৰণে পঢ়া ?—

তোমাকনো সেইবোৰ কিয় লাগে ? আমি যি কাৰণে নপঢ়িলো লাগে। তাই ওলাই যাব খুজিছিল। বহা। কলৈ যোৱানো ?—হাতখনত ধৰি তাইক বিছনা-খনতে বহুৱাই দিলো। মুকলি চিঠি পঢ়ি হিয়াৰ বন্ধ দুৱাৰ মুকলি কৰিছা। কোননো সেইজন ভাগ্যবান তোমাৰ দুৱাৰ মুখত প্ৰৱেশ কৰিছে ?—

মানে ?—তাইৰ গাল দুখনত তেজে উঠা-নমা কৰিছিল। মানে বুজা নাই। মানেটো তাতে লিখা আছে। অষ্টম পাঠটো ভালকৈ পঢ়িবা।—

কি কথাবোৰ কয়! মোৰ কাম আছে যাওঁ।—তেনেতে বাহিৰৰ পৰা কোনোবাই মাতিলে 'মণিকা'।

– কোন? তাই ওলাই গ'ল। এজনী ছোৱালী লগত লৈ আকৌ সোমাই আহিল তাই!

—এইজনী মোৰ বান্ধৱী। নাম শলিতা। আমি দুয়ো একেলগে পঢ়ো— । মণিকাই মোক ক'লে। শলিতাৰ মুখলৈ চালো। বেচ ধুনীয়া! শল্তিা যি শলিতাই। শলিতা ডালৰ দৰে দেহাৰ গঠন। মনতে ভাৱিলো বুকুত জুই জ্বলাবলৈকে ভগৱানে তহঁতক ইমান ধুনীয়া কৰি সৃষ্টি কৰিছে।

—এও মোৰ দাদা হয়। কলেজত পঢ়ে। এইবাৰ বি, এ ফেইল কৰিছে, --মণিকাই এইবাৰ শলিতাক কলে। শলিতাই মোৰ মুখলৈ চালে, মণিকাই হাঁহিলে।

—এওঁলোকৰ ঘৰ সৌটো।—মণিকাই খিড়িকী খনেদি আঙুলিয়াই মোক দেখুৱালে। মই সেইপিনে চাই পঠিয়ালো। গলে যাব পাৰা কেতিয়াবা।—

—তোমাৰ নাম শলিতা?— অৱস্থাটো লঘু কৰিবৰ কাৰণে মই সুধিলো।

হয়!–তাই উত্তৰ দিলে।

–তুমি বহানে যোৱা, কি কৰা কৰা, আমি অলপ ফুৰিবলৈ যাও। কুই বাক নবৌক চাহ দিবৰ কাৰণে কৈ যাম।— দুয়োজনী খম্-খম্ কৰে ওলাই গ'ল। সিহঁত ওলাই

মোৰা বাটলৈ চাই থাকিলো। মণিকা আৰু ললিতাক বিজাই চালো—কোনজনী বেচি ধুনীয়া।

ধুনীয়া গাভৰু ছোৱালীবোৰেই আকৰ্ষণৰ বস্তু। সজাৰ ভিতৰত সুমাই থোৱা মইনা চৰাই। মইনা নাথাকিলে সজাৰ সৌন্দৰ্য্য ক'ত! মণিকা গ'ল ললিতা গ'ল: ঘৰখন খালি পৰি গ'ল। মনটো উকঙা উকঙা লাগিল।

মণিকাহঁতৰ ঘৰলৈ যাওঁ। তাই সান্নিধ্যখিনি ভাল লাগে মোৰ। তাই মোক বুজে; মৰম কৰে। মণিকা নাথাকিলে সিহঁতৰ ঘৰখন মোৰ কাৰণে বাহ তলৰ নিচিনা লাগে। মণিকাই ও বুজি পায়।

বাটত যাওঁতে মনতে ভাবি যাও মণিকাক কাষত বহুৱাই লৈ মোৰ মনৰ সকলো গোপন কথা তাইৰ আগত কৈ দিম। তাই মোৰ বুকুত সোমাই পৰিব। তেতিয়া তাইক মই মুঠৰ মৰম কৰিম। কিন্তু তাইৰ ওচৰ পালে মোৰ মনৰ কথা মনতে হেৰায়। তাইক একো কথাকে ক'ব নোৱাৰো। হাঁহি-হাঁহি তাই মোৰ ওচৰত বহে। মইয়ো হাঁহি-হাঁহি শুনি যাও।

আশাৰ পদুম মৰহি গলে জীয়াই থকাটো টান। মণিকা মোৰ আশাৰ পদুম। মোৰ মনৰ কথা মণিকাক এদিন কবই লাগিব। তাই যে মোক নতুন জীৱনৰ সন্ধান দিছে। তাইৰ অবিহনে মোৰ জীৱনটো পঙ্গু হৈ নাযাবনে?

মণিকাহঁতৰ ঘৰলৈ যাওঁতে আজি বাটতে মোৰ

মনটো মিৰ্‌থাশাৰ ক'লা ডাৱৰে আগুৰি পেলালে। ভাব ভাষা লণ্ড-ভণ্ড হ'ল। মণিকা, মণিকাই মোৰ হিয়া অধিকাৰ কৰি বহিছে। মই জানো মণিকাৰ হিয়া অধিকাৰ কৰিব পাৰিছো? তাই যদি মোক অস্বীকাৰ কৰে? বৰ দোধোৰ-মোৰধন লাগিল; অনিশ্চয়তাৰ গেলা বোকাত মনৰ কুমলীয়া আশাবিলাক পোত খালে। নহয়, তাইক মই কৈ চাম। অন্ততঃ এবাৰ তাইক কৈ চাম। নিৰ্লজ্জ বৰ্বৰৰ অসভ্য বিশেষণেৰে বিভূষিত হ'ব লাগিলেও হ'ম। নহলে গোটেই জীৱনটো মোৰ পৰিতাপত পোত গৈ থাকিব।

মণিকাহঁতৰ ঘৰ পালোগৈ। সেইদিনা দেওবাৰ, তাই বিছনাখনতে বাগৰি আছিল দুপৰ বেলিকা। মোক সোমাই যোৱা দেখি তাই উঠি বিছনাতে বহিল। তাইৰ বিছনাখনতে বহিলো— তাইৰ কাষতে। তাই অলপ অপ্ৰস্তুত হৈ পৰিছিল। নিজকে সংযত কৰি তাই সুধিলে —ঘৰৰ পৰা আহিলা ?—

ওঁ!—ডিঙিটো শুকাই গৈছিল।

কি হ'ল? — কৰবাত এক্সিডেণ্ট কৰিলানে কি? তাই সুধিলে।

একো হোৱা নাই' বৰ ভাগৰ লাগিছে। পানী এগিলাচ দিয়া।— তাই পানী এগিলাচ আনি দিলে। ঘট ঘট কৰে পানীখিনি খাই শেষ কৰিলো। খালি

গিলাচটো তাই মোৰ হাতৰ পৰা নিজৰ হাতলৈ নিলে। মুখত লাগি থকা পানীখিনি কমাল খনেৰে মচি পেলালো। তাই মোৰ মুখলৈ চায়ে আছিল।

ঘৰত কোনো নাইনে কি ?—মই সুধিলো।

নবৌহঁত ফুৰিবলৈ গৈছে। মাৰ গা অসুখ শুই আছে। - টেবুলখনৰ কাষত তাই থিয় হৈ ৰ'ল।

বহা। তাইক হাত এখনত ধৰি মোৰ ওচৰতে বহুৱাই ললো।—তোমাৰ লগত বহুত কথা আছে— মোৰ গাতো শিয়ঁৰি গ'ল। তাইৰ হাতখন তেতিয়াও মোৰ হাটৰ মুঠিত।

তোমাৰ কি হৈছে আজি ?—তাই মোৰ মুঠিৰ পৰা হাত-খন একৰাই নিলে।

কিবা এটা হেৰুৱাৰৰ ভয়ত মোৰ মনটো বৰ বিয়াকুল হৈ পৰিছে মণি ?—

মই একো বুজিব পৰা নাই।—

তোমাক কথা এটা সোধো, উত্তৰ দিবানে বাৰু ?—

যদি মোৰ দিব পৰা শক্তিৰ ভিতৰত পৰে দিম।—

তুমি মোক ভাল পোৱানে মণি ?—তাই অপ্ৰতিভ হৈ পৰিল অকস্মাতে।

সেইটো মোৰ কথা। তোমাক কিয় লাগে ?—তাই হাঁহিলে।

লাগে। মই নিশ্চিত হ'ব খোজো।—

—মইতো তোমাক কোনো দিনে বেয়া পোৱা নাই ; বেয়া ব্যৱহাৰ কৰা নাই। কৰিছো জানো কোৱা ?—

—তেন্তে তুমি মোক বিয়া কৰাবলৈ ৰাজি আছা ?—মই তোমাক ভাল পাও মণি—একে উশাহতে কলো।

—ছিঃ তুমি কি কথাবোৰ কৈছা ?—তাই মোৰ কাষৰ পৰা উঠি গ'ল। মোৰ বুকুখন কপি উঠিল।—তুমি মোক ভাল পোৱা আৰু ভাল পোৱা কাৰণেই বিয়া কৰাবা।—কিন্তু মই যে তোমাক তেনেভাৱে ভাল নাপাও। তোমাক নিজৰ ককাইদেউ বুলি ভাৱো মই।—

—তুমি মোক ইমান দিনে তেন্তে ভনীৰ মৰমহে দেখুৱালা ? মই তোমাক ভনীৰ দৰে ব্যৱহাৰ কৰা নাছিলো। আৰু জানা, তোমাৰ আৰু মোৰ ভিতৰত যিখিনি মৰম চেনেহ ভাৱ-ভাষাৰ আদান-প্ৰদান হ'ল সিবিলাক ভাই-ভনীৰ সম্বন্ধৰ পৰা বহুত বেলেগ. বহুত আঁতৰত।

—তুমি পাগল হৈছানে কি ? সম্বন্ধত মই তোমাৰ ভনী হও। কি কুৎসিত !—

—মই পাগল নহও মণি। তোমাৰ নিচিনা কিছুমানে পাগল কৰিছে। মোৰ বুকুত একুৰা চিতা জুই জ্বলাই দিছে। মৰমৰ ছলেৰে তুমি মোক কিয় জীয়াই জীয়াই দগ্ধ কৰি মাৰিছা মণি ?—

মোৰ কি দোষ ? মই কি কৰিব পাৰো ?—

—এবাৰ দকৈ ভাৱি চোৱা। তুমি কি কৰিব লোৱা।

অধৈর্য্য নহ্বা। তোমাৰ ওপৰত মই অত্যাচাৰ নকৰো। মই তোমাক ভাল পাও। আমাৰ মিলনত কোনো বাধা নাই। তোমাৰ অবিহনে মোৰ জীৱনটো অসম্পূৰ্ণ হৈয়ে ৰব মণি।—

—তেন্তে তোমাৰ কাৰণে মোৰ জীৱনটো ধ্বংসৰ পথত আগ বঢ়াই দিম। ভাল পোৱাৰ নামত তুমি মোক বলি দিব খোজানে কি? তুমি জীয়া জুইত পুৰি মৰিছা আৰু মই জানি বুজিও তাত জপিয়াই পৰো। ইয়ে তোমাৰ মোক ভাল পোৱাৰ নমুনা?—

—ধ্বংস! বলি!!

—বলি নহয় কি! তোমাক বিয়া কৰাই মোৰ কি লাভ?

—তোমাৰ আছে কি? ধনী নোহোৱা, লনী নোহোৱা—গুণীও নোহোৱা। যাৰ বলত সংসাৰত তুমি মানুহ বুলি পৰিচয় দিব পাৰা। তোমাক আজি কিমানে মানুহ বুলি গণ্য কৰে। আগতে নিজক ভালকৈ প্ৰতিষ্ঠা কৰি লোৱা। তাৰ পাচত ……। —

—তাৰ পাচত তুমি মোক বিয়া কৰাবা। তাৰ কাৰণে মই তোমাৰ ওচৰ চাপিছিলো। আৰু আঘাত নিদিবা মণি। মোক বিয়া কৰাই তোমাৰ কোনো লাভ নাই! সঁচা কথা। ধন, গুণ, সৌন্দৰ্য্য মোৰ কোনোটোৱেই নাই। ভৱিষ্যতে যে আহিব তাকো মই আশা কৰিব নোৱাৰো। আশা শেষ হৈ গৈছে। আশাত মজি থকাতকৈ

আশা মৰি যোৱাই ভাল! কিন্তু মণি— মোৰ অন্তৰৰ কোমল অনুভূতিবোৰতো মৃত্যু হোৱা নাই। আজিও সিহঁত সজীৱ। সিহঁতক অৱমাননা কৰাতো মোৰ কাৰণে পাপ। তুমি ৰূপহী। অদূৰ ভৱিষ্যতত তোমাৰ মধুময় জীৱন। তোমাৰ ভাল পোৱাৰ এয়ে যদি প্ৰত্যুত্তৰ মই তাতে সন্তুষ্ট থাকিম। ইয়াৰ কাৰণে তোমাক মই বেয়া নাপাও। আক্ষেপ নকৰো। কিন্তু আক্ষেপ থাকি যাব চিৰ দিনলৈ—এবাৰ জীৱনলৈ যি জোঁৱাৰ আহিছিল সি মোক মাজ ককালতে ভাঙি থৈ গ'ল। তোমাক পায় ভাবিছিলো তুমি মৰমী। তোমাৰ পৰশতে মোৰ ভগ্ন জীৱনটো পুনৰ ঠন ধৰিব। মই ভুল কৰিছিলো মণি— ভুল ভাবিছিলো। তুমি মোৰ ভনী—এই জনমৰ নহয় - জন্মে জন্মে ....।

—সাত—

অলপ দিনৰ ভিতৰতে বহুত কথা শিকিলো। অন্তৰৰ কোমল অনুভূতিবিলাকে মানুহক সদায় দুখহে দিয়ে। আনে মানক-নামানক মই মানিবলৈ বাধ্য হৈছো। মোৰ অন্তৰত যি মধুময় অনুৰাগৰ অভ্যুদয় হ'ল তাৰ পৰা মোৰ কোনো লাভ হ্ৰবা নহ'ল। যতে হাত দিছো ততে লাভৰ সলনি ধাৰাবাহিক লোকচান খাইছো। বীণা অচিন পথত অচিন হৈয়ে ৰ'ল। মোৰ হিয়াৰ কোণত সাজি থৈ গ'ল স্মৃতিৰ এটা দোল। মণিকা হাতভে হেৰাল। এৰি গ'ল মোৰ হিয়াত এটা মচিব নোৱৰা চেনেহৰ সাঁচ। দেখুৱাই দিলে মৰমৰ উপকৰণবোৰ। মৰম থাকে ক'ত—বিচাৰে কি? অৱশ্যে মণিকাৰ লগত মই কোনো লাভ লোকচানৰ বেপাৰৰ চুক্তিত চহী কৰিব বিচৰা নাছিলো। কৰিছিলো অন্তৰৰ এক কৰুণ নিবেদন—বিচাৰিছিলো এখন দৰদী হিয়াৰ সহানুভূতি। তথাপিও মই হাটি খালো।

ৰাতি দিন অকলে অকলে ভাৱি যাওঁ এই-বিলাককে। ঘৰত থকাটো দিনক দিনে দুৰ্ব্বিহ হৈ পৰিছে। মণিকাৰ প্ৰত্যেকটো কথাই হিয়াত প্ৰতিধ্বনিত হয়। সংসাৰত মোৰ কোন আছে; কিমানে মোক মানুহ বুলিয়ে বা গণ্য কৰে। মণিকায়ো মোক মানুহ বুলিয়ে নাভাৱিলে। নহলেনো ইমান কথা তাই কেনেকৈ কব পাৰিলে। অকৰ্মন্য নগন্য জীৱন মোৰ! পৰৰ মূৰত জীয়াই থকাতকৈ মৃত্যুৱেই শ্ৰেয়। জীয়াই থকাৰে অদম্য হেপাহ। মৃত্যু মোৰ কাৰণে বৰ কঠিন! মাষ্টৰী কাম এটা পায় ঘৰৰ পৰা আঁতৰি গলো শ-শ মাইল দূৰলৈ।

প্ৰথমতে অলপ আচহুৱা-আচহুৱা লাগিছিল। প্ৰত্যেকখন মুখেই অচিন। মাতো বেলেগ; আচাৰ-ব্যৱহাৰ বহুত অমিল। পাহাৰী ঠাই। মানুহৰ বসতি সেৰেঙা। ভাল লাগিল। মানুহৰ সংস্পৰ্শৰ পৰা তেওঁ আঁতৰি থাকিব পাৰিম। মানুহৰ ঘন সান্নিধ্য আজি কালি মুঠেই ভাল নলগা হ'ল।

স্কুল বৰ্ডিঙতে থাকিবলৈ দিছে। দৰ্ম্মহা তিনি-কুৰি পাঁচ টকা। নগৰত থাকোতে কোনো মাহতে এশতকৈ কম টকা নিয়া নাছিলো। কেতিয়াবা বেচিকৈয়ো নিছিলো। আজি মই তিনিকুৰি পাঁচ টকীয়া মাষ্টৰ! ইয়ো অস্থায়ী। কথাবিলাক ভাবিলে গাটো বাই-জাই কৰে। ভাৱিবলৈ এৰি দিছো। দুখ লাগে ঘৰখনৰ কাৰণে।

তিনিকুৰি পাঁচ টকাৰে নিজক প্ৰতিষ্ঠা কৰিম সংসাৰত! ভাগ্যৰ ফেৰ!

স্কুলখনত লৰা-ছোৱালী একেলগে পঢ়ে। ছোৱালীৰ সংখ্যা নিচেই কম। লৰাৰ সংখ্যা সৰহ। দহ বজাত স্কুললৈ যাও আৰু চাৰিটা বজাত স্কুলৰ কৰ্ত্তব্য সমাপ্ত কৰি গুচি আহো। স্কুলত বৰ সংযত হৈ চলিব লাগে। বিশেষকৈ ছোৱালী থকাৰ কাৰণে।

নিয়ৰৰ পৰশ পালে ঠেক ছিগা কুঁহি পাতেও জী উঠাৰ আশাত চকু মেলি চায় এবাৰ! লৰাতকৈ ছোৱালীৰ মেধা শক্তি কম। ছোৱালীবিলাকে ভালকৈ কোনো প্ৰশ্নৰে উত্তৰ দিব নোৱাৰে। পৰীক্ষাত পাচ কৰে। নম্বৰ পায়। ন্‌ৰত পঢ়ে। লৰাই নপঢ়ে। খিতিঙ্গাসি কৰি ঘুৰি ফুৰে। ইয়াৰো বেচি ছোৱালীৰ প্ৰতি এটা সবল দুৰ্ব্বলতা প্ৰত্যেক অন্তৰতে জাগে। লৰাৰ প্ৰতি তেনে দুৰ্ব্বলতাৰ স্থল নাথাকে। ছোৱালী-বিলাকে প্ৰশ্ন সুধিলে উত্তৰ নিদেয়ে। মাষ্টৰৰ মুখলৈ চায় মিচিকিয়া হাঁহি মাৰে। মাষ্টৰৰ অন্তৰত সৃষ্টি হয় এখন ভাবৰ মৰু ক্ষেত্ৰ।

বোৰ্ডৰ্ত্তী নৈ বান্ধ দি বাখিব পৰা নাযায়। বান্ধ ভাঙ্গি বৈ যায়। দুৰ্ব্বল হৃদয়বোৰত ভাবিবলৈ বাধ্য কৰ ইলাৰ কথা। কোনো প্ৰশ্নৰে উত্তৰ দিব নোৱাৰে তাই। প্ৰশ্ন সুধিলেই মিচিকিয়া হাঁহিটোৰে উত্তৰ দিয়ে—

'নোৱাৰো।' তাইক খং নকৰোঃ দাবীও নিদিও। আৰু বেয়াও নাপাও। তাইক মোৰ ভাল লাগে। তাই বেচ ধুনীয়া। মোৰ দোষ ক'ত!

ইলা বঙ্গালী ছোৱালী। সুন্দৰ অসমীয়া কয়। অসমতে সিহঁতৰ সাত পুৰুষ হজম হৈ গৈছে। অসমৰ আহাৰ-পানী খায়ে সিহঁত ডাঙৰ দীঘল হৈছে। অসম সিহঁতৰ দেশ। অসম সিহঁতৰ ঘৰ। সিহঁত 'খাই পাট-ফলা' নহয়। বঙ্গালী হলেও সিহঁত অসমৰে অসমীয়া। স্কুলতো অসমীয়াকে পঢ়ে। সিহঁত সেই অঞ্চলৰ আদিম অধিবাসী নহয়। ইলাৰ বাপেকে তাত কিবা চৰকাৰী কাম লৈ আছে। ইলাৰ পৰা আঁতৰি ফুৰো।

'য'তে বাঘৰ ভয় তাতেহে ৰাতিও হয়।' এদিন স্কুলতে ইলাই মোক সিহঁতৰ ঘৰলৈ মাতিলে। তাই মোক বৰ আপচোচ কৰি কৈছিল—"আপুনি যাবই লাগিব। নগলে মা-দেউতাই বৰ বেয়া পাব। অলপ ইতস্ততঃ কৰি যাম বুলি সন্মতি দিলো।

যেতিয়া তেতিয়াও মাৰ যোৱা নাছিল। অলপ বেলা পৰিছিল। পাহাৰৰ ওপৰেদি ৰশ্মিবিলাক হেলনীয়া হৈ পৃথিৱীলৈ আহিছিল। ইলাহঁতৰ ঘৰ। ইলাৰ বাপেকে আদৰ সাদৰকৈ বহিবলৈ দিলে। মাকো ওলাই আহিছিল। তেওঁলোকে মোক বহুত কথা সুধিলে। আগতে কি কৰিছিলো। ক'ত আছিলো। ঘৰত কোন কোন আছে।

কি কৰে নকৰে ইত্যাদি না না প্ৰশ্নৰ উত্তৰ অনিচ্ছা স্বত্বেও দিছিলো। সময় বুজি মিছা কথা কৈয়ো তেওঁলোকৰ মন যোগাইছিলো। ইলাই চাহ আনি দিছিল খাবলৈ। ইলাৰ বাপেকটো বৰ কথা চহকী মানুহ। ৰাজনীতিকে আৰম্ভ কৰি ঘৰুৱা নীতিলৈকে তেওঁ বহুত কথাই পাগুলি ভিতৰ কৰিলে। 'হয় হয়', 'ঠিক ঠিক' আদি সম্মতি সূচক শব্দবোৰহে ব্যৱহাৰ কৰিবলৈ সুযোগ পালো মই। তেওঁৰ কথাবিলাকৰ পৰা মোৰ ধাৰণা হ'ল মানুহটো ভয়ানক চতুৰ আৰু 'তেলায়া'। তেওঁক মই বেয়া নাপালো। অন্ততঃ মানুহ হিচাবে তেওঁ মৰমিয়াল। আহিবৰ সময়ত তেওঁ ইলালৈ আঙুলিয়াই মোক কলে—তাই এইবাৰ মেট্ৰিক দিবলৈ ওলাইছে। পঢ়া শুনাত কেনে পাইছেই। আপুনিয়ে পাৰিলে এই কেইদিন তাইৰ পঢ়া-লিখা খিনি অলপ চাই মেলি দিব। আপোনালোকৰে নাম হ'ব। তায়ো বৰ ইচ্ছা কৰে। ঘৰত আহি আমাৰ আগত কয়-'নতুনৈক অহা মাষ্টৰ জন বৰ ভাল। বহুত কথা জানে' লাজতে তলমূৰ কৰিলো। মুখৰ আগতে ইমান খিনি তোষামোদ মোৰ অনাৱশ্যক আছিল। ইলা ওচৰতে আছিল। তাইক সুধিলো—"হয়নে?" ইস্, আপুনি জানিবা নাজানেহে?—গাটো জোকাৰ মাৰি তাই কলে। বাপেক বাৰেবে তাই তেৰেৰে। মাকেও কিবা এবাৰ কৈছিল লগতে। মনত নৰ'ল। ভালকৈ শুনিলো। এক্ষে

উপাহুতে নোৱাৰো বুলি কৰ'ল টান পায় মনে মনে বলো।
—তেন্তে' আপুনি আহিব কালিৰ পৰা ? —মনে মনে থকা দেখি ইলায়ে মাতিলে।
—আহিম।
—ভকল। তাই বান্ধি পেলালে মোক
—ভকল। সিদ্দিনাৰ কাৰণে ইলাহঁতৰ পৰা বিদায় ললো।

বস্তুত ৰাতিলৈকে চকুৰ টোপনি নাই। নভবা নিচিন্তাকৈ কি কামটো কৰিলো। মনত সন্দেহৰ লাকু লাক পোক। সময়ৰ পাক ঘূৰণিত পৰি মই ইলাকো যদি ভাল পায় পেলাও!

অলপ দিনৰ ভিতৰতে ইলাই মোক 'দাদা' সম্বোধনেৰে অপ্যায়িত কৰি পেলালে। স্কুলত 'চাৰ'। ঘৰত দাদা। এই দুই সম্বন্ধৰ মাজত এখন বিৰাট সাগৰ। তাত আছে অসংখ্য ক্ষুদ্র ক্ষুদ্র জোঁৱাৰ আৰু ভাটা। কুলে কুলে অসংখ্যাত ঢেউ আৰু পছুম' বলে মৃদু মধু পৱন চঞ্চল। পালবিবোৰ উৰি যায়। সাগৰৰ বুকু চঞ্চল হৈ পৰে। ইলায় পঢ়ে। মই পঢ়াও।

ইলাৰ অকনমান ডুবছৰীয়া ভনীয়েকজনীয়ে মোৰ বৰ মৰম লাগে। কাষলগ্নিৰ তপ্তত বিতাপ কৰি হৈ তাই মোৰ ওচৰলৈ আহে আৰু আধা ফুটা মাতেৰে কয়—"তোমা মোকো অপছন্দা ?—তাইক কোলালৈ তুলি

লও। মবমেৰে দুগালত দুটা চুমা খাও। ইলায় মোৰ চকুলৈ চায় আৰু হাঁহে। মই পাচতহে কথাটো ভাবি চাও। কিবা কিবা লাগে তেতিয়া মনতে।

—তাইকেহে পঢ়ুৱায় !মোক নপঢ়ুৱায় দেখোন! অভিমানৰ সুৰত তাই কয়।

—তুমি পঢ়ি থকা নাই জানো? কৰিবলৈ দিয়া এলজেব্ৰা

—কেইটা কৰিলানে বাৰু?

—নাই কৰা।

—কিয়?

—নোৱাৰো।

—কিয় নোৱাৰা?

—নোৱাৰাবিলাক আপুনি কৰি দিব। আপুনি মোক বেয়া পায় নহয়? মই এনেকুৱায়ে। মুখখন ওন্দোলাই তাই এপাচি মান কৰে। তাইক একো কব নোৱাৰো।

—বাৰু কৰি দিম। কিন্তু তুমি নিজে দেখোন এটাও কৰিব নোৱাৰা। সকলোবিলাক যদি ময়ে কৰি দিও তুমি শিকিবা কেনেকৈ? পৰীক্ষাত কি কৰিবা?

—পৰীক্ষাত পাৰিম দিয়ক। আপুনি কৰি দিয়াবিলাক চায় থাম নহয় ভালকৈ।

—মই কৰি দিয়াবোৰ নাহিলে কি কৰিবা?

তাই অলপ চিন্তিত হৈ পৰে। তাৰ পাচত কয়—ইস্! সেই বিলাককে নিদিনো আৰু কৰ পৰা দিব। আপুনি

পৰীক্ষাত অতা অহা চায় ক'ৰি দিব।

মনটো কিবা কিবা লাগে। কোনোমতে সংযম কৰি ৰাখো। তাইক পঢ়ুৱাই যাও দিনৰ পাচত দিন। কেতিয়াবা সিহঁতৰ ঘৰতে ৰাতি ন বজোটা বাজে। ইলাৰ মাকে ভাত খায় আহিবলৈ কয়। কথাৰ ছলেৰে ইলায়ো কয়—'আমি আৰু ইমান অপবিত্ৰ হলোনে!' অগত্যা খাব লগাত পৰো। নাখালে ইলায় বেয়া পায়। খালে তাই ভাল পায়। খাবৰ সময়ত তাই ওচৰতে বৈ চায় থাকে। তাই বেয়া পোৱাতো মোৰ ভাল নালাগে।

সিদিনা গৈ পোৱাৰ লগে লগে তাই মোক বিজ্ঞানৰ চুম্বকৰ প্ৰথম সূত্ৰটো বুজাই দিবলৈ কলে। শ্ৰেণীত মাষ্টৰে বুজাওতে হেনো ভালকৈ নুবুজিলে।
কি বুজাই দিব লাগে তোমাক ? বিজ্ঞান তোমাৰ ইচ্ছাধীন বিষয়। পৰীক্ষা দিবও পাৰা নিদিবও পাৰা। অন্য পঢ়া। —তাইক কলো।
আজিৰ যুগেই বিজ্ঞানৰ যুগ। বিজ্ঞান পঢ়াৰ ইচ্ছা আছে কাৰণেহে আপোনাক বুজাই দিবলৈ কৈছো—

বৰ দোধোৰ মোধোৰত পৰিলো।
কি আছে চাও।—
এইটো।—তাই কিতাপখন মোৰ আগত মেলি ধৰিলে। তাইৰ গোটেই দেহাৰ ভৰটো মোৰ গাত পৰিছিল। তাইৰ বুকুৰ তাপটো মই অনুভৱ কৰিছিলো।

—বহা, বহা ; তাইক বহিবলৈ কলো। 'লাইক পলচ্ ৰিপেল এণ্ড আনলাইক পলচ এট্যাক্ট'। এইটোৱে নহয়?
—কিতাপখন হাতলৈ ললো।
—হয় দিয়ক। তললৈ মূৰ কৰি তাই কলে।
—কি বুজা নাই? কিতাপতে ধুনীয়াকৈ লিখা আছে। কিতাপ পঢ়িবা। কিতাপখন জপাই থলো।
—আপুনি এবাৰ ভালকৈ বুজাই দিয়ক। দিয়ক চোন!
—তাই কাতৰ ভাৱে কলে।
—বাক শুনা। অলপ সময় মনে মনে থাকিলো। তাৰ পাচত কৈ গলো -ইংৰাজী খিনিৰ অৰ্থ হ'ল একে জাতীয় পলৰ ভিতৰত আকৰ্ষণ নহয়। বিপৰীত পলৰ ভিতৰত আকৰ্ষণ হয়। এতিয়া ধৰা, তুমি এটা পল আৰু মই এটা পল। আমি দুটা আনলাইক-বিপৰীত পল। — তেতিয়া হলে আমাৰ ভিতৰত আকৰ্ষণ হ'ব? -তাই তলমূৰ কৰিলে।
—নিশ্চয়। আমি যদি চুম্বক গুণ প্ৰাপ্ত হও। —এতিয়া বুজিলা? -
—নাই বুজা।
—কি নাই বুজাহে!
—আপুনি কিতাপখনতকৈও অলপ জটিল কৰিহে কলে।
—আপোনালোকে কিনো 'পলৰ' কথা কয় আপোনালোকেহে জানে। মই একো বুজা নাই।

পল মানে কি তাকো বুজা নাই। এইবোৰ বুজাবলৈ টানহে। —অলপ সময় ভাবি ৰলো। —বাক! এদোখৰ চুম্বকৰ দুটা মূৰ। দেখিছানে নাই?—

—নাই দেখা।—

—নাই দেখা। চুম্বক লো দেখা নাই তুমি?—

—চুম্বক দেখিছো; চুম্বকৰ মূৰহে দেখা নাই! চুম্বক দেখোন জড় পদাৰ্থ। জড় পদাৰ্থৰ কৰবাত মূৰ থাকেনে?

—তোমাৰ মূৰ কেইটা?—

—মোৰ মূৰ এটা।—

—তোমাৰ মূৰ এটাও নাই!—

—এইটোনো কি?—

সেইটো তোমাৰ মূৰ নহয়! লাওখোলা! লাওখোলা!

—বুজা?

—চুম্বকৰ মূৰ নাই। লাওখোলাহে আছে?—

—মূৰ চিনি নাপায়! কি ছোৱালীবে!

—বুজাই দিলেই চিনি পায় নহয়।

—বাক বুজায়ে দিও;

—দিয়ক।

—মোৰ হাতত এইডাল পেন্সিল দেখিছা?

—দেখিছো।

—পেন্সিলডাল এইপিনে এইখিনিত আৰু এইপিনে এইখিনিত শেষ হৈছে। দেখিছা?

দেখিছো।

এই শেষ বিন্দু দুটাৰ প্ৰত্যেককে একোটা মুৰ বোলে। যতে শেষ হয় সেয়ে মুৰ। এতিয়া কব পাৰানে পেন্সিল-ডালৰ মুৰ কেইটা?

—পাৰিম।

—কোৱাচোন কেইটা?

—দুটা!

—আকৌ কোৱাচোন।

—দুটা, দুটা, দুটা!

—এতিয়া কোৱাচোন তোমাৰ মুৰ আৰু পেন্সিল ডালৰ দুটা মুৰৰ পাৰ্থক্য কি?

—আপুনি জানে যেতিয়া মোকনো সুধিছে কিয়?

—বাৰু! এতিয়া পল কাক বোলে তাক শুনা। ধৰা এই পেন্সিলডালেই এটুকুৰা চুম্বক। ইয়াৰ মুৰ কেইটা?

দুটা

এনেদৰে চুম্বকৰ দুই মুৰত দুটা বিন্দু কল্পনা কৰা হৈছে। যি দুটা বিন্দুৰ পৰা চুম্বকৰ আকৰ্ষণ বা বিকৰ্ষণ কৰিব পৰা শক্তিৰ সঞ্চাৰ হয়। চুম্বকৰ সেই বিন্দু দুটাৰ প্ৰত্যেকেই একোটা পল বা মেৰু। উত্তৰফালে থকাটোক নৰ্থ পল বা উত্তৰমেৰু আৰু দক্ষিণফালে থকাটোক চাউথ পল বা দক্ষিণমেৰু বোলে। এতিয়া বুজিলানে পল মানে কি?

—বুজিলো।

—আৰু বুজাব লাগিবনে ?

—নালাগে দিয়ক।

—এনেকৈ হ'লে তুমি মানুহ মাৰিবা দেখিছো।

—নামাৰো দিয়ক। তাই হাঁহিলে। হাঁহিলে তাইক খুউব ধুনীয়া দেখি। কিতাপখন জপাই তাই ভিতৰলৈ গ'ল। চাহৰ কাপটো মোৰ হাতত দি ক'লে—'আজিলৈ আৰু নপঢ়ো।'

দিনক দিনে ইলা মোৰ নিচেই ওচৰ চাপি আহিছে। তাইৰ অন্তৰৰ অব্যক্ত বেদনাৰ আৰ্ত্তনাদ মই উপলব্ধি কৰিব পাৰিছো। হাজাৰো হক তাই গাভৰু ছোৱালী। যৌৱনৰ প্ৰথম বসন্ত তাইৰ গাত বিদ্যমান। মন উৰা-মাৰি যায় কোনোবা অনন্ত দিগন্তৰ সপোন ভৰা ৰাজ্যলৈ। পঢ়িবলৈ বহি এদিন তাই মোক সুধিলে—আপুনি আৰু নপঢ়ে ?—সামান্য প্ৰশ্ন। আখৰে-আখৰে লুকাই আছে অনুৰাগৰ গভীৰ নিশ্চাস ভৰা আগ্ৰহ।

—কিয় লাগে তোমাক ?—

—এনেয়ে সুধিছো। আপোনাৰ পঢ়িবৰ ইচ্ছা আছে ?—

—থকাই নথকাই মাজতে।—

—পঢ়ক। আপুনি পাচ কৰিব।—

—পাচ্ কৰিম ! কিন্তু········ ।—মনত খেলি-মেলি ভাৱ।

—কিন্তু কি ! বৰ্ডিঙত থাকি অসুবিধা পাইছে যদি আমাৰ ঘৰতে থাকিব পাৰিব : কিতাপ-পত্ৰবোৰ লৈ আহিব।

আমি দুয়ো একেলগে পঢ়িম। আপোনাৰ লিখিবলগীয়া থাকিলেও মই লিখি দিম। পৰীক্ষালৈ বহুত দিন আছে।--
—সময় আছে। তুমি পাৰিবা জানো ?—
—নোৱাৰিম কিয় !—ইলালৈ বৰ মৰম লাগিল। বুকুৰ মাজত লৈ তাইক যেন পাৰেমানে চুমা খাম। কিন্তু আজি মোৰ কাৰণে ই জানো সম্ভৱ ?—ডাৱঁৰ নামি আহিল। মন আকাশ মোৰ মোলান পৰিল।
—ইলা! তাইক মাতিলো।—তুমি সংসাৰখন যিমান সহজ বুলি ভাবিছা সিমান সহজ নহয়। ইচ্ছা আকাশ চুম্বী হলেও আজিৰ পৃথিৱীত অসম্পূৰ্ণ হৈয়ে ভূপতিত হয়। তোমাৰ দৰে এদিন ময়ো ভাবিছিলো আৰু মই ঠগ খাইছো।—ইলা স্তব্ধ হ'ল। মই কৈ গলো—ইলা, তোমাক মই প্ৰাণভৰি মৰম কৰিব বিচাৰো। কিন্তু নোৱাৰো। কিবা এটা শক্তিয়ে মোক বাধা দিয়ে। এনেতে ভিতৰৰ পৰা মাকে মাতিলে—ইলা, পঢ়া হ'ল যদি ভিতৰলৈ আহ।
—খুড়ীৰ সম্ভৱ মাকে মোৰ কথাবিলাক শুনিছিল। মোৰ মাতটো ক্ৰমান্বয়ে ডাঙৰ হৈ গৈছিল। ইলা মোৰ চকুৰ আঁতৰ হ'ল। মই অনুভৱ কৰিলো পৃথিৱীখনো যেন লাহে লাহে মোৰ ভৰিৰ তলৰ পৰা এৰাই যাব ধৰিছে।

ভিতৰত মাকে ইলাক কোৱা শুনিলো—"এইবোৰ তইঁতৰ কিহৰ কথা!" লগতে ইলাৰ উচুপনি মোৰ কাণত পৰিছিল। বৰ অসহ্য লাগিছিল। এইপাত মৰমৰ শেলেও

এদিন মোৰ বুকু ভেদ কৰি যাব। ভাবি ভাবি অকলে অকলে চকীখনতে বহি থাকিলো। ম্যাকে চাহৰ কাপটো টেবুলখনৰ ওপৰত থৈ ভিতৰলৈ সোমাই গ'ল। ইলা ওলাই নাহিল। চাহ খাবৰ ইচ্ছা নহ'ল। খিড়ীকি খনেদি বাহিৰলৈ পেলাই দিলো। কাপটো প্লেটখনৰ ওপৰত উবুৰিয়াই থলো। 'যাও' বুলি মাত লগাই তাৰপৰা গুচি আহিলো। ভিতৰৰ পৰা কোনো সমিধান নাহিল। মোৰ আৰু মাতিবৰ ধৈৰ্য্য নাই।

বৰ্ডিং পাইতে লৰাবিলাক শুই পৰিছে। জোতাযোৰ মাথোন সোলোকাই বিছনাত বাগৰি পৰিলো। মনত অলপো ভাল লগা নাই। চিন্তাত মূৰটো ঘূৰি গৈছে। ভাত পানী খাবলৈ নহ'ল। তুই নাৱত তুই ভৰি। কি কৰা উচিত হ'ব। ইলায় মোক ইমান আপোন কৰি ললে কিয়? হয়তো নাজানি সুবুজি যৌৱনৰ চঞ্চলতাত তাই মোক ভাল পাইছে। হাবি কাঠনি নথকা ঠাইত ফুটুকাই বৰ গছ। তুদিনৰ পাচত কলেজলৈ গলে ইলায় মোক চিনিয়ে নাপাব। মনটো মুকলি কৰিবলৈ যত্ন কৰিলো।

পাচ দিনা স্কুলত দেখিলো ইলাৰ মনটো মৰা। চকু তুটা সেমেকা। ছুটীৰ পাচত তাই মোৰ কাৰণে বাট চায় আছিল অকলশৰে। মই আচৰিত হ'লো। তাই মোক ক্ষমা খুজিছে। বৰ বেয়া লাগিছিল তেতিয়া তাইলৈ। কব নোৱাৰো তাইৰ মানসিক সুস্থিৰতা কিমান দূৰ ঘূৰি অহিছিল।

—কাইলৈ যাম গৈ ইলা।—তাইৰ হাত এখনত ধৰি কলো।—স্কুলৰ কাম 'ৰিজাইন' দিছো। তুমি মোক যেন পাহৰি যোৱা। কালৰ সোঁতত ভাহি অহা এটুকুৰা জগা কাঠ বুলি মোক তোমাৰ মনৰ পৰা বাদ দিবা।

—আপুনি ইয়াৰ পৰা কলৈ যাব ?—

—কব নোৱাৰো। এতিয়ালৈকে ভবা নাই।

—আমাৰ ঘৰলৈ যাব নে কি ?—

—গৈ কি কৰিম! তোমাক লগ পালোৱেই। আৰু নাযাও। সময় নহ'ব।—

—দেউতাই আপোনাক মাতিবলৈ কৈছিল।— সেমেনা সেমেনিকৈ কলে তাই।

—কিয় ?—তাইৰ চকুলৈ চালো। কওঁ কওঁ কৈ আছে তাই কব পৰা নাই। মই বুজিলো।

—টকা আনিবলৈ মাতিছে সম্ভৱ!—মই তাইৰ মুখলৈ চায় কলো।

—হয়!—

—ইলা, টকালৈ মোৰ স্পৃহা নাই বুলি কবা। তোমালোকে বহুত মৰম কৰিলা। সেয়ে বহুত। যোৱা গৈ। হয়তো জীৱনত আমাৰ আৰু দেখা দেখি নহ'ব।—

—খেয়া নাপাব। মোক ক্ষমা কৰিব। মই ভুল কৰিছিলো। তাই ঘৰৰ ওচৰ পাইছি। মোক বিদায় দিলে। মই অকলশৰীয়া। আকাশখন যেন টুকুৰা হৈ মোৰ মূৰৰ ওপৰত

ভাগি পৰিছে। মৰমৰ মধুময় বিচ্ছেদ। ইলাই মোক পাহৰিলেই।

সেইদিনা ৰাতিও টোপনি নাহিল। পুৰা বৰ্ডিংৰ পৰা আহিবলৈ ওলালো। লৰাবিলাকৰ মাজত হুলস্থুল লাগিল। কোঠাটো লৰাৰে ভৰি পৰিল। সিহঁতলৈ বেয়া লাগিছিল। সিহঁতে সুধিছিল 'চাৰ' কিয় যায়?-কি উত্তৰ দিম। হয়তো সিহঁতেও মোক ভুল বুজি আছে। যি দিনা সিহঁতৰ ভুলৰ সংশোধন হ'ব সিদিনা সিহঁতেও কব মাষ্টৰটো বৰ বদমাচ-হাৰামি আছিল। —সিহঁতৰ পৰা বিদায় লৈ অনিৰ্দিষ্ট ৰাজপথৰ বুকুত আকৌ ভৰি দিলো।—

—আঠ—

মই এটা কক্ষচ্যুত গ্ৰহ। মোৰ স্থিতি নাই। মোৰ পোহৰ নাই। দিনে দিনে ক্ষয় হ'ব লাগিছো। য'লৈ মন গৈছে তালৈকে গৈছো। যি মন গৈছে তাকে কৰিছো। মই অস্থিৰ! মই চঞ্চল। জীৱনৰ আঁতবিলাক হেৰুৱাই পেলাইছো।

মোৰ কাষেদি পাৰ হৈ যোৱা মানুহ বিলাকৰ মুখ-বিলাকলৈ চাও। সিহঁতৰ মুখবিলাক মোৰ দৰে মলিন নহয়— উজ্জ্বল। সিহঁত খুউব সুখী। সিহঁতৰ দৰে মই মুকলি মুৰীয়া নহয়; সুখী নহয়। মোৰ মুখ আৰু চকুৰ জ্যোতি নোহোৱা হৈছে।

অকাল বয়োবৃদ্ধইও নকৈ বিয়া কৰাইছে। কিহৰ আশাত? পো-নাতিয়ে বিয়াৰ আয়োজন কৰিছে। বুঢ়াৰ হিয়াত কিহৰ জোৱাঁৰ! কিহৰ আনন্দ! হে বৃদ্ধ. তোমাৰ কিহৰ আৱশ্যক যুৱতীৰ যৌৱন! তোমাৰ কি

ক্ষুধা ! মরো বিয়া কৰাম। নিগাজীকৈ বহিম। নহলে মনটোৱে থিতাপি নলয়। টলৌ-টলৌ কৰি ঘুৰি দেহা-টোক আৰু কিমান কষ্ট দিম। হে বৃদ্ধ ! তুমি মোৰ এবাৰ হিয়াখন ফালি নোচোৱা কিয় ! কাক কম মোৰ অন্তৰৰ কথা। কাক মই আত্মনিবেদন কৰিম ! কাক মই বিয়া কৰাম। কোনে মোক বিশ্বাস কৰিব ! মোক পাগল আখ্যা দিব। মোৰ মানসিক দুৰ্বলতা শোচনীয় পৰাজয় !

ৰ'দত মই আশ্ৰয় লৈছো আহঁত গছজোপাৰ ছাঁত। মৃদু বতাহত পাতবিলাক ঝৰ ঝৰ কৈ লৰিছে। সিহঁতে আনন্দত বলিয়া হৈ গানহে গাবলৈ আৰম্ভ কৰিছে। মই সিহঁতৰ সমানো সুখী হ'ব নোৱাৰিলো। সিহঁতৰ আনন্দৰ ছাঁ বিলাক পৃথিৱীত পৰিছে। কিমান শীতল ! সিহঁত যেন মোৰ দুখত দুখী হৈ পৃথিৱীলৈ নামি আহিছে মোক সান্ত্বনা দিবৰ কাৰণে। সিহঁতৰ ওচৰতো মই ধৰুৱা।

ভাবোতে ভাবোতে হঠাতে দেখিলো মোৰ মনৰ স্মৰণৰ মুখত বৈ আছে বহুদিনৰ আগতে দেখা এখন পৰিচিত মুখ। চকুৰ গুবিবিলাক ক'লা পৰিছে। চকু দুটাও ম্লান। চুলিবিলাক তৰল। বিবৰ্ণ মুখখন, দেখিলে ধাৰণা হয় বেমাৰৰ পাটীৰ পৰা এইমাত্ৰ উঠি আহিছে।

মোৰ মানস পটত জিলিকি উঠিল চাৰি বছৰৰ আগতে দেখা নিৰলাৰ এখন নিপোটল মুখ।

নিৰলা ! আজিও তাইৰ বিয়া হোৱা নাই। হা-হুতাশাই তাইৰ জীৱনটো ঢৌৱাই নিছে। বিগত দিনৰ প্ৰত্যেকটো কথাই আজি মোৰ মনত পৰিছে। নিৰলাই কেনেকৈ খোজ কাঢ়ে, কেনেকৈ চায় আৰু তাইৰ কথা কোৱা প্ৰত্যেক অঙ্গী-ভঙ্গীয়ে মোৰ চকুত ধৰা দিছে। মোৰ অপৈণত মনটোৱে সেই সময়ত তাইক বুজা নাছিল। আজি তাই বুজিছে, কিয় তাই তেনেবিলাক ভাৱ-ভঙ্গীৰ সহায় ল'ব লগাত পৰিছিল, আৰু সেইবিলাকৰ দ্বাৰা তাই কি প্ৰকাশ কৰিব বিচাৰিছিল। সময় অতীত হৈ গ'ল। নিৰলা মোৰ পৰা আজি বহুত আঁতৰত।

প্ৰৱেশিকা পৰীক্ষা দিবলৈ যাওঁতেই নিৰলাৰ লগত মোৰ প্ৰথম পৰিচয় ঘটে। নিৰলা তেতিয়া পূৰ্ণ যৌৱনা। পখিলাৰ দৰে চঞ্চল মন। অমোঘ মাদকতাৰে ভৰপূৰ হিযা। মোৰ তেতিয়া সংসাৰিক অভিজ্ঞতাৰ একেবাৰে অপৈণত অৱস্থা। নিৰলা গাৱঁলীয়া ছোৱালী। নগৰৰ আত্মীয় মানুহৰ ঘৰত থাকি পঢ়ে।

তাই মোক মৰম কৰিছিল। অকল মৰমেই নহয়, মোৰ কাৰণে অশেষ কষ্ট স্বীকাৰ কৰিছিল। আজি মই সহস্ৰ মুখে স্বীকাৰ কৰো তাইৰ আশাসুধীয়া সহায়ৰ ফলত মই আশাতীত ৰকমে পৰীক্ষাত কৃতকাৰ্য্যতা লাভ

কৰিব পাৰিছিলো। তাইক মই অকপট চিত্তে ভাল পাইছিলো। আজি মই বুজিব পাৰিছো যৌৱনৰ ক্ষণিক আমোদৰ উন্মাদনাত তাই মোৰ নিস্বাৰ্থ ভাল পোৱাক কোনো মূল্য নিদিছিল। মোক সম্পূৰ্ণ অপদাৰ্থ বুলি ভাৱিবলৈ সমৰ্থ হৈছিল। তাই মোৰ গতিবিধি লক্ষ্য কৰি নিৰুৎসাহিত হৈ পৰিছিল।

পৰীক্ষাৰ পাচত তাই কোৱা এষাৰ কথা মোৰ আজিও মনত পৰিছে—তোমালোক নগৰীয়া ছোৱালী, বহুত কষ্ট দিলো। মাফ কৰিবা।—উত্তৰত তাই কৈছিল— মই নগৰীয়া নহয়। মোৰ ঘৰ গাৱঁতহে। ইয়াত থাকোহে— সিদিনাহে মই নিৰলাক তাৰ ছোৱালী নহয় বুলি জানিছিলো। তাই কোৱা কথাখিনি মোৰ হিয়াৰ কোনোবা এটা নিভৃত কোণত জমা হৈ আছে।

ইয়াৰ পাচতো বহুবাৰ নিৰলাক লগ পাইছিলো। কিন্তু তাই মোৰ প্ৰতি অমনোযোগিতা অনাদৰকে কৰিছিল বেচি। কাৰণ মই বুজা নাছিলো।

যৌৱনৰ প্ৰথম জোঁৱাৰৰ প্ৰকোপত সংসাৰ সমুদ্ৰত নিৰলাৰ জীৱন তৰিৰ পাল ছিগি গ'ল। তাইৰ জীৱনটো এখন দুঃখপূৰ্ণ নাটক। তাই নিজে নাটকৰ নায়িকা। নায়ক গুপ্ত।

পৰীক্ষাৰ মাজতে চকামকাকৈ দেখা মনত পৰে। এজন যুৱক নিৰলাহঁতৰ ঘৰলৈ আহে, খায়, থাকে বন্ধুৰ।

তেৱেঁই নিৰলাৰ প্ৰনয় প্ৰাৰ্থী। পাচত ধৰা পৰিল। এওঁ নিৰলাক প্ৰেমালিঙ্গন যাচে মাত্ৰ ৰাতি, যেতিয়া ঘৰৰ সকলোবিলাক শুই নিঃপালি যায়। তেওঁলোকৰ চকুত টোপনি নাই।

গুপ্ত প্ৰনয়ৰ পৰিণাম কেতিয়াবা বৰ শোচনীয় আৰু কেতিয়াবা ভাৰিব নোৱাৰাকৈ ৰমণীয়ও হয়। কোন সময়ত কোনটো ঘটে বুজা টান। নিৰলাৰ ক্ষেত্ৰত শোচনীয় ৰূপ লগে। নায়কে নায়িকাক পঢ়ুৱাই নিব— নায়িকাৰ মন ভুলাই- ঔষধ খুৱাই। নায়িকায়ো তথাস্তু! সেইমতে নায়কে নায়িকালৈ দিলে "ফুলচ্ স্কেপ" কাগজৰ চাৰি পৃষ্ঠাৰ দীঘলীয়া চিঠি "প্ৰিয়তম' সম্বোধনেৰে। চিঠিত লিখিলে ঔষধৰ সেৱণ প্ৰণালী—কেইবাৰ উঠিব—কেইকাল বহিব ইত্যাদি নিয়ন্ত্ৰিত নিৰ্দেশ। মাজত ভৰাই দিলে ঔষধৰ টেমা আৰু নায়িকাৰ আহাৰৰ কাৰণে সস্তীয়া বজাৰৰ এক সমাৰ নেমুমিঠাই। চিঠি আহিল ডাক যোগে। নায়ক আহিব বাচত, অলপ পাচত –যথা –সময়ত। ভাগ্যৰ লেখ! বিধিৰ বিৰম্বণা! নায়িকালৈ দিয়া নায়কৰ চিঠি নায়িকাৰ হাতত নপৰি পৰিল আলিকৰ হাতত! উপায় কি এতিয়া! নায়ক নায়িকাৰ প্ৰেম পানী হৈ প'ল। নিৰলাৰ জীৱনৰ গতি বদলি হ'ল। নগৰৰ পৰা পাৰঁৰ ঘৰলৈ আহিল। তেতিয়াৰ পৰা "নিৰলাৰ জগত মোৰ লেখা দেখি কোৱা নাই।

আজি বাৰে বাৰে নিৰুপালৈ মনত পৰিছে। তাইৰ ঘটনা বহুল জীৱনটো সুঁৱৰি দুখ লাগিছে। মৰম আকলুৱা তাইৰ হিয়া। মৰম বিচাৰি আতুৰ হৈ পৰিছিল। কিন্তু মৰমে তাইক মোৰ মুবুলিলে। মৰমে তাইৰ বুকু ভেদি গ'ল। হয়তো সমাজৰ চকুত, বন্ধু-বান্ধৱৰ চকুত তাই আজি ঘৃণাৰ প্ৰাণী। মানুহৰ মৰম পাবৰ কাৰণে তাই অপাত্ৰী হৈ পৰিছে। জীৱনৰ আশা আকাঙ্ক্ষাবোৰৰ অপমৃত্যু ঘটিছে - ঘটাইছে। চিৰদিন কি তাই তিল তিল কৈ দগ্ধ হৈ মৰিব? আমাৰ জীৱনলৈ এই দুৰ্ব্বল অনাদৃত মুহূৰ্ত্তবোৰ কিয় আহে? কিয় শান্তিত নিচিন্ত মনে শুই থকা আমাৰ অৰক্ষিত চেতনাটোক উত্তেজিত কৰি মৃত্যুৰ পথত আগবঢ়াই দি ভাল পায়?

নিৰুপাৰ কাৰণে বিহ্বল হৈ পৰিলো। তাইক মই দোষ নিদিও। আমাৰ জীৱনৰ অদৃশ্যতা আছে। তাই মোৰ দৃষ্টি পথৰ প্ৰথম দিপালী। তাইক বুজিবৰ শক্তি মোৰ আজি আছে। আজি মোৰ জীৱনটোও এথোপা পুলিৰ নিচিনা। যি পিনে সোঁত বৈছে সেইপিনে বাগৰি গৈছে। বেকাৰে লুতুৰ পুতুৰ। মোক এজন সাৰথি লাগে যি মোৰ জীৱন ৰথৰ চকৰিৰ গতি নিৰ্ণয় কৰি জীৱন যুজত মোক অজস্ৰ সেনাৰ শক্তি যোগাব। আমি অজেয় হৈ ৰ'ম। নিৰুপাক মই সাৰথি ল'ম। তাইক মই ক'ম—

—নিৰলা, আগৰ কথা পাহৰি যোৱা। তোমাক মই প্ৰাণ ভৰি ভাল পাম।—তাই মোৰ হেৰাই যাব খোজা জীৱনটো ঘুৰাই আনিব। নতুন বোলেৰে নকৈ বোলাব।—

নিৰলাৰ অন্বেষণত বাহিৰ ওলালো। লুং লুঙীয়া বাট। দুয়ো কাষে সৰু সৰু হাবি আৰু ফুটুকানি। ভৰ দুপৰ। বেলিটো মূৰৰ ওপৰত। অসহনীয় গৰম। গছৰ পাতবিলাক ৰদত জয় পৰিছে। মূৰৰ চুলিবিলাকো গৰম। পিঠিটো ৰমৰম্ কৈ পুৰিছে। চাঁয়াটো ও কেচুটোৰ দৰে কোঁচ মোচ খাই পৰিছে। ঠায়ে ঠায়ে মুকলি পথাৰ। পথাৰবিলাকত পানীৰে উপচি আছে। পানীবিলাক কেনাইছে যেন গৰমতে বক্ বক্ কৈ উতলিব ধৰিছে। কিবা এটা দুৰ্গন্ধ পানীবিলাকৰ পৰা ওলাই বতাহৰ লগত মিলি গৈছে। বাটটোৰ ওপৰত ঠায়ে ঠায়ে আঠুৱনীয়া বোকা। মাজে মাজে ছিগা। তাত একোদাল সাকো দিয়া আছে। তলত বোকা পানী। এখোজ পিচলি গলেই পৰাৰ ভয়। খুপি খুপি পাৰ হৈ যাও। মনত এটা হেঁপাহ। নিৰলাক লগ পাম অলপ পাচতে। মোৰ মনলৈ বল আহে। খোজবিলাক অজানিতে খৰহৈ আহে। ঠিক ৰদৰ তাপ সহিব নোৱাৰি বগাই যোৱা এটা বিছাৰ দৰে।

বহু দূৰ আহিলো। মানুহৰ কোনো চিন চাব নাই। পথাৰ, পথাৰ, পথাৰ, মাথো। মুকলি পথাৰখনৰ

মাজত ঠিয় হৈ চাৰিউফালে চকু ফুৰাই চালো। দূৰণিত মানুহৰ বাৰীত থকা ওখ ওখ তামোল গছৰ আগবিলাক দেখা গৈছে। মনটো বিষাদেৰে ভৰিল। এই দুপৰ বদখনত ক'ত বিচাৰি ফুৰিম।—হতাশমনে গছ এজোপাৰ চাঁতে বহিলো। নিশ্বাসবোৰ জুই যেন গৰম। কপালৰ পৰা ঘাঁমবিলাক বৈ আহি মুখত সোমাইছিল। মুখখন নিমখ নিমখ লাগিছিল। চকুহালৰ ভুটিব পুৰিছিল। বাওঁ হাতৰ বাহুটোৰে মুখ আৰু কপালৰ ঘামবোৰ মোহাৰি পেলালো। বহি আছো কিবাবোৰ ভাবি ভাবি। এজন বুঢ়া মানুহ মোৰ ওচৰ চাপি আহিল। বুঢ়াজনে এখন মেলা ছাতিৰ নালটো বাওঁকান্ধত পেলায় বাওঁহাত খনেৰে হেঁচা মাৰি ধৰি আছে। সোঁ কান্ধত এখন বনিয়ন! গৰমৰ কাৰণে গাৰ পৰা সোলোকাই কান্ধত থৈছে। আঠুমূৰীয়া চুৰীয়া। ককালত গামোছাখন মেৰিয়াই থৈছে। গামোছাৰ এমূৰত তামোলৰ টেমা। সোঁহাতত এখন নেলীয়া কটাৰী আৰু এদাল লাখুটি। খুউব সম্ভৱ মানুহজনে ওচৰতে কেনিবা গৰু চৰায় আছিল। মোক গছজোপাৰ ছাঁত বহা দেখি ওচৰ চাপি আহিছে কথা পতাৰ মানসেৰে। বুঢ়াজনে অলপ সময় মোলৈ চায় থাকি পাচত সুধিলে— "ক'ৰ পৰা আহিছা বোপা?"

—বহুত দূৰৰ পৰা— উত্তৰ দিলো।

—এৰা, চিনি পোৱা নাই।

—মোক চিনি কেনেকে পাব ? মই এই পৃথিবীৰ মানুহ নহও। এইবাৰ বুঢ়াজনে মোৰ ফালে পিঠিটো দিলে আৰু হাবি খনৰ ফালে ডিঙি মেলি চালে। বুঢ়াজনৰ তামবৰণীয়া পিঠিটো ঘামতে সেমেকি পৰিছিল।

—"এই ফালে আৰু গাওঁ নাই।" —বুঢ়াজনে মোৰ ফালে মুখ কৰি ক'লে।

—এজন মানুহে এইপিনেই যাব পাৰিব বুলি ক'লে। এতিয়া দেখিছো ইয়াৰ পৰা আৰু বাট নাই। মোৰ বাট ভুল হৈছে। —বহাৰ পৰা উঠি ইফালে সিফালে চালো।

—কাৰ ঘৰলৈনো যাব লাগে ? —অনুসন্ধিৎসু দৃষ্টিৰে বুঢ়াজন আৰু অলপ মোৰ ওচৰ চাপি আহিল। বৰ অস্বস্তি লাগিল। কি বুলি সমিধান দিওঁ। নিৰলাৰ বাহিৰে তাইৰ গাঁৱৰ, ঘৰৰ কাকো মই চিনি নাপাও। মাকজনী থকা বুলি জানো। নামটোও মনত নাই। বৰ মস্কিলত পৰিসো। একালে পোৱাৰ আনন্দ আৰু আনফালে হেৰুৱাৰ ভয়। কিবা এটা উত্তৰ দি বুঢ়াৰ হাত সৰাটো একো টান কাম নহয়। কিন্তু নিৰলাক বিচাৰি আহি নাপায় উভতি যোৱাহে সাংঘাতিক কথা। এবা, বুঢ়াৰ পৰাই নিৰলাৰ খবৰ লোৱা যাওক। বুঢ়া মানুহ সকলো কথা বুজে।

—নগৰৰ পৰা এজনী ছোৱালী আহি এই গাঁৱত আছেহি।

আপুনি তাইৰ ঘৰটো চিনি পাইনে ?—সেপগিলি সেপগিলি বুঢ়াক সুধিলো।

—নামটো কি ?—বুঢ়াজন বৰ উদগ্ৰীৱ হৈ পৰিল।

—নিৰলা !—লাহেকৈ কলো। নাম নকলো, বৰদত শুকাই থকা টিঙ্গিৰি তুলাত জুইহে জলাই দিলো। নাম শুনিয়ে বুঢ়া চাৰিহাত মোৰ পৰা আঁতৰ হ'ল।

—অ' সেই বাৰীজনীৰ ছোৱালীজনী ! ভালেহে তোমাক চিনি পোৱা নাই। তুমি নগৰৰ পৰা আহিছা ? এইপিনে যোৱা বোপা '—লাখুটিৰে বুঢ়াই দেখুৱাব দিলে।

—অলপ আগলৈ হাবিখনৰ মাজেদি যিটো সুৰুকীয়া বাট আছে সেই বাটেদিয়ে গৈ থাকা। বাটটোৰ মূৰতে যিটো ঘৰ সোঁহাতে আছে সেইটোতে নিৰলা থাকে। পিচে আজি যাবানে থাকিবা ? বুঢ়াটোৰ কথাবিলাকে বুকুত ছুলে বিন্ধাদি বিন্ধিলে। মুখৰ অঙ্গী ভঙ্গী আৰু মাতৰ সুৰটোৱে মোৰ গাত একুৰা জুই জলাই দিয়া যেন লাগিল। খং গৈ মূৰৰ চুলি পালেগৈ। থাপ মাৰি বুঢ়াৰ হাত এখনত ধৰিলো। বুঢ়াটো কপিবলৈ লাগিল।

—খবৰদাৰ বুঢ়া ! এনে কথা আজিহে যি কলি ! গাৰঁৰ মেথা !-বুঢ়াটোৰ হাতখন এৰি দি নিৰলাৰ ঘৰমুৱা হলো। বুঢ়াটোৱে পাচত কোৱা মোৰ কাণত পৰিছিল—'ডাপৰীক ধৰিলেই ভপৰা ওলাই আহিব, দেশ গুচিল।' মোৰ ঘূৰি চাবৰ সময় নাই।

নিৰলাৰ ঘৰ। আচৰিত হলো। প্ৰথমতে মোৰ বিশ্বাস নহৈছিল। নিৰলাক দেখাৰ পাচতহে মোৰ মনৰ সন্দেহ দূৰ হ'ল। সামান্য জুপুৰী এটা। চালে স্বৰগ দেখি। বেৰলৈকে হাবি। দুখ লাগিল নিৰলাৰ অৱস্থা দেখি।

অপ্ৰত্যাশিত ভাবে মোক যোৱা দেখা পায় তাই বাকহীন হৈ পৰিল। হাঁহিব খোজা মুখখন তাইৰ হঠাতে গহীন হ'ল। চকুৰ কোণত লোতক বিৰিঙ্গি ওলাল। হয়তো মোৰ উপস্থিতিয়ে শেষ হৈ যোৱা অতীতৰ স্মৃতিবিলাক তাইৰ মানস পটত ৰূপায়িত কৰি তুলিছিল। তাই সহিবলৈ টান পাইছিল।

—নিৰলা। মই মাতিলো। তাইৰ পালৈ চেতনা আহিল। বহিবলৈ দিলে। তাই ভিতৰলৈ গ'ল। ঘৰত লৈ থকা পুৰণা লেতেৰা চাদৰখন সলায় নতুন এখন গাত লৈ তাই আকৌ ওলাই আহিল

—আমাৰ ঘৰ কোনে দেখুৱাই দিলে?—তাই ৰ-লাগি চায় ৰ'ল।

—ইচ্ছা থাকিলে পৃথিৱীত মানুহ বিচাৰি উলিওৱা টান কাম নহয়, নিৰলা। হাবিখনৰ মাজত তুমি অকলে থাকা —

—মা, থাকে লগত।

—এতিয়া ক'ত?—

—পুৱাতে বাইদেউৰ ঘৰ'ল গ'ল। ইয়াৰ পৰা ভুমাইল মান হ'ব।

—তোমাৰ বাইদেউৰাও আছে ?—

আছে। আমাৰ চাৰি বাই-ভনী আৰু মা। ময়ে সৰু। তিনি গৰাকী উলিয়াই দিছে।—

—তুমি বাকী ! বাইদেউবাহঁতে তোমাক মৰম নকৰে। তোমাৰ ভয় নালাগে ইয়াত ?—

—বনৰ বাঘলৈ ভয় নকৰো। তোমালোকৰ নিচিনা বাঘবোৰক ভয় কৰো দেই।—

—তেন্তে মোকো ভয় কৰা ?

—তেনেকুৱাই।—তাই ভিতৰ সোমাল। ঘৰটো ধোৱাময় হ'ল। তাই চাহ দিছে। ময়ো সোমায় গলো। তাই ঘূৰি চালে : তাই কন্দিছিল। চকু দুটা সেমেকি আছে। মজিয়াতে মোক বহিবলৈ দিলে। চাহ-জলপান খাবলৈ দি তাই মোৰ ওচৰৰ পৰা আঁতৰি আহিল।

—গুচি গ'লা ?—বেয়া পাইছানে কি ?—

—নাই পোৱা। খায় লোৱা।—

—বহুদিনৰ মূৰত আহিছো! খবৰ বতৰা কোৱা।—

—তুমি এতিয়া ক'ত আছা ? গুৱাহাটীত ? তাই সুধিলে।

—বৰ্ত্তমান তোমাৰ ওচৰত। ইয়াৰ পাচত কত থাকিব লগা হয় সেইটো নেদেখা জনৰ হাতত।—

—তুমি মোকে বিচাৰি আহিলানে নাই ফুৰিবলৈ আহিছিলা কৰবাত ?—

—তোমাক বিচাৰিয়ে আহিছো। তুমি বিচাৰ লবলৈকে

এৰিলা।—

—আন লৰা হোৱাহেঁতেন নাহে।

—মানে ?–

—মানে তুমি ইমান পঢ়িছা। আমাৰ নিচিনা দুখীয়া মানুহৰ মনত পৰিবনে ?—

–মনত পৰিলতে আহিছো। তুমি মোৰ উপকাৰ কৰি থৈছা। পাহৰিলা ?—

—উপকাৰৰ কথানো কোনে বিচাৰ কৰে ?—

—নিৰলা, তুমি নিজে এবাৰ বিচাৰ কৰি চোৱা। মই তোমাৰ ওচৰত গুণ বিচাৰি আহিছোনে দোষ বিচাৰি আহিছো।—

—মই ভাবিছো ইমান দিনৰ মূৰত তুমি মোৰ ওপৰত প্ৰতিশোধ লবলৈ আহিছা।—

—প্ৰতিশোধ নহয় নিৰলা। প্ৰতিশ্ৰুতি দিবলৈ আৰু প্ৰতিশ্ৰুতি লবলৈ আহিছো।—

– কিহৰ প্ৰতিশ্ৰুতি ?–তাই হাঁহিলে। এটা অৰ্থপূৰ্ণ হাঁহি।

—মোক আজিও মানুহে সন্দেহ কৰে। তাই কলে ক্ষীণ মাতেৰে।

–মোক বিশ্বাস কৰা। মানুহৰ সন্দেহলৈ মই ভয় নকৰো।—

– তুমি ভয় নকৰা। কিন্তু মই ভয় কৰো। তোমাৰ প্ৰতিশ্ৰুতিৰ পথ জটিল। তুমি উপলব্ধি কৰা নাই। ইমান

দিনৰ মূৰত তোমাক লগ পায় মোৰ অন্তৰখনে কান্দিছে আনন্দত। এই আনন্দক মই আঁকোৱালি লব পৰা নাই মুক্তভাৱে। মোৰ অন্তৰে অ... কান্দে। তুমি নুবুজা। মোৰ দুখ লাগে। তোমাক বেজাৰ দিব লগা হৈছে। তুমি মোৰ ইয়ালৈ আহি ভাল কাম নকৰিলা।—

—তোমাক প্ৰৱঞ্চনা কৰিব'ল অহা নাই মই নিৰলা। তোমাক বন্দনা কৰো।—

—তোমাৰ মন সত্য-সুন্দৰ। মোৰ জ্ঞাত। কিন্তু সমাজে নামানে সমাজৰ মোৰ ওপৰত শেন চকু।—

—তুমি মোক খেদি পঠাবৰ চেষ্টা কৰিছা. তুমি মোক ভুল বুজিয়ে আছা।—

—তোমাৰ ভুল ভাঙিবৰ চেষ্টাকে কৰিছো। তুমি ইয়াৰ পৰা যোৱাৰ পাচত তোমাক মোক লৈ কি প্ৰতিক্ৰিয়া সৃষ্টি হ'ব জানানে? তোমাৰ দুৰ্নাম মোৰ সহ্য নহয়। তুমি ভাবি চোৱা।—

—তুমি অন্যায় অবিচাৰৰ সন্মুখ হোৱা। ভয় কৰা কিয়?—

—ভয় কৰো। মই শক্তিহীন দুৰ্ব্বল-পদ দলিত!—

—জঘন্য অপবাদ দুৰ্নামকো নেওঁচি দৌৰি আহিছিলো এখন মৰমী হিয়াৰ কাষলৈ।—

—নিৰলা!—

—ককাইদেউ!—মোৰ আশাৰ মূৰত স্বৰগ পৰিল।

—ককাইদেউ! তুমি আজি মোক ককাইদেউ বুলিলা।

মোক ৰাজপথৰ সৰ্ব্বহাৰা বুলি নকলা কিয় ? কক্ষচ্যুত ধূমকেতু যতে পৰে ত'তে ধ্বংশ, মহামাৰি হাহাঁকাৰৰ সৃষ্টি ।—

—ইমান তললৈ নানামিবা। সুস্থ সবল মগজুৰে এবাৰ ভাবি চোৱা--তোমাৰ কি ভুল। জানা ককাইদেউ জীৱনত যি এটা নকৰিব লগীয়া ভুল কৰিলো সেই ভুলৰ প্ৰায়শ্চিত্ত আজিও শেষ হোৱা নাই। দেখিও তুমি নেদেখা কিয় ? মোৰ মুখলৈ চোৱা, চকুলৈ চোৱা। কি আছে তাত। মোৰ দেহাটো আধা পোৰা হ'ল। তাত আৰু জুই নজলে ককাইদেউ। উজ্জ্বল ভবিষ্যত তোমাৰ সন্মুখত দুৰ্ব্বল মুহূৰ্ত্তৰ সাময়িক উত্তেজনাৰ বশীভূত হৈ তুমি তাক নষ্ট নকৰবা। তুমি আজি মোক যি প্ৰেম নিবেদন কৰিবলৈ আহিছা, ই তোমাৰ সুস্থ সবল মনৰ প্ৰাণময় নিবেদন নহয় ই চঞ্চল মনৰ নিষ্প্ৰাণ নিবেদন। মই বুজিব পাৰিছো। তুমি তাক সংযম কৰা। শাসন কৰ। তোমাৰ অৰাজক মনটোক দমন কৰা।

—তোমাৰ ওচৰত উপদেশ বিচাৰি অহা নাই নিৰলা। আহিছিলো জীৱন প্ৰতিষ্ঠাৰ সহায়িকা এখন দৰদী হিয়া বিচাৰি।

—উপদেশ দিবৰ উপযোগী নহও। ই মোৰ উপদেশ নহয়। মোৰ অভিজ্ঞতা। তুমি মোক গালি পাৰা, খং কৰা, যি ইচ্ছা হয় তোমাৰ তাকে কৰা। মই তোমাক

বাধা নিদিও। তোমাক মই আদৰ কৰো; মৰম কৰো। ভবিষ্যতলৈও কথা দিছো—যদিহে জীয়াই থাকো।

—যিটো আজি মই বুজিব পাৰিছো, সত্য বুলি ভাবিছো তাকে তোমাৰ আগত দ্বিধাহীনভাৱে প্ৰকাশ কৰিছো। সমাজত ব্যভিচাৰিণী বুলি মোৰ এটা খ্যাতি হৈ গৈছে। মোৰ অখ্যাতি কুখ্যাতিত তোমাক কেতিয়াও পতিত হবলৈ দিব নোৱাৰো। মই প্ৰাণ্যমানে বাধা দিম। তুমি মোক লৈ কেতিয়াও সুখী হ'ব নোৱাৰিবা। ভৱিষ্যতে তুমি অনুশোচনাত দগ্ধ হৈ মৰিবা।—

—তোমাক লৈ মই সুখী হ'ম নিবলা। তুমি আজিও সত্য সুন্দৰ। তোমাক মই ভাল পাওঁ। তুমি মোক ভাল পাব নোৱাৰা কিয়?—

—এদিন তোমাক ভাল পাইছিলো। আৰু আজিও পাওঁ। তোমাৰ ভিতৰত এতিয়া যিটো মানুহে কালমূৰ্ত্তিৰে পূৰ্ণচন্দ্ৰ গ্ৰাস কৰাদি তোমাক গ্ৰাস কৰিছে তাক মই ভাল পাব নোৱাৰো। মা, ঘূৰি আহিবৰ সময় হৈছে। মোৰ দৃঢ়বিশ্বাস তোমাৰ উপস্থিতি তেওঁ সহ্য কৰিবলৈ টান পাব। আৰু লগতে মোৰ অস্থিৰ জীৱন সমুদ্ৰ আকৌ তল ওপৰ হৈ পৰিব। এতিয়াও কব নোৱাৰি। মই তোমাক বিদায় দিছো এতিয়া। ঘৰলৈ যোৱা। পিতৃ-মাতৃ, ককাই-ভাই, বাই-ভনী অঙ্গহী বঙ্গহীৰে তোমাৰ ভৰপূৰ। তেওঁলোকৰো তোমাৰ ওপৰত বহুত আশা আৰু অধিকাৰ

আছে। তোমাৰ এনেবোৰ কাৰ্য্য কলাপৰ কীৰ্ত্তি গম পাব লাগিলে তেওঁলোকে নিশ্চয় অন্তৰত দাৰুণ আঘাত পাব আৰু সকলো আঘাত একেলগ হৈ মোৰ মূৰত টাঙ্গোন সোধাব। মোক ক্ষমা কৰা ককাইদেউ!
—ক্ষমা, ক্ষমা, ক্ষমা! ক্ষমাহে মোৰ দেয়।

দুপৰ সূৰুযৰ প্ৰখৰ তাপ নোহোৱা হৈ গৈছে। বেলিটো তললৈ খহি পৰিছে। পৃথিবীখন ধুঁৱলী কুঁৱলী। আকাশৰ বুকুত মেঘমালাৰ পানী গছা। ধাৰাষাৰে বৰষুণ হ'ব।

কোনোবাই যেন মোৰ কাণে কাণে কৈ আছে "যা, ইয়াৰ পৰা সোনকালে আঁতৰি যা। পলম নকৰিবি। বিপদ চপাই নলবি।"
—নিৰলা, মোৰ অযাচিত মৰমক তুমিও নেওঁচা দিলা। পৃথিবীত মই কাৰ পৰা মৰম আদায় কৰিম।
তাইৰ চকুদুটা চলচলীয়া হৈ পৰিছিল। মই চায় থাকিব নোৱাৰিলো।
—যাওঁ! গুচি আহিলো। চকুদুটাত হাতদুখন দি তাই ভিতৰলৈ দৌৰ মাৰিছিল। হাবিখন মোৰ চকুৰ আগত প্ৰাচীৰ হৈ ৰ'ল। তাইক দেখা নাপালো। বাৰে বাৰে একেটা ভুলকে কৰি আহিছো। এই ভুলৰ সমাধিক্ষেত্র?

—৯—

তিক্ততা আৰু ব্যৰ্থতাৰ নিদাৰুণ প্ৰহাৰত আধা-মৰা আধা-জীয়া হলো। যলৈকে গৈছো তাতে অপমান অনাদৰ আৰু অৱমাননাৰ ৰাশি-ৰাশি শৰাই হাত পাতি লৈছো। কেতিয়াবা ভাবো, এধান মৰমৰ ভাগীও হ'ব নোৱাৰিলো মই। মই কি! ব্যৰ্থতাই মোৰ জীৱনত অপাৰ আনন্দৰ অন্তহীন উৎস্। তাকে লৈ মই তৃপ্তিত আত্মহাৰা হৈ জীৱনৰ জয়গান গাম! ইয়ে কি সম্ভৱ! কেতিয়াবা মোৰ মনটোৱে বিদ্ৰোহ কৰে। কাৰ কাৰণে? কিহৰ কাৰণে? বাট-ঘাট, ৰাস্তা-পদূলি, মেল-মিতিং, বিয়া-সবাহ-পূজা থিয়েটাৰ-ভাৱনা-চিনেমা-বায়স্কোপ, স্কুল-কলেজ আনকি চলন্ত ৰেল-মটৰতো আজি কিহৰ উল্লাস! কিহৰ আবেদন-নিবেদন! চকুৰে কি দেখিছো। কাণেৰে কি শুনিছো। কাণ কলা, চকু অন্ধ হৈ যোৱা নাই মোৰ! উৎসৱৰ আৱলত প্ৰেমৰ পোহাৰ, প্ৰণয়ৰ বিনিময়। মন্দিৰৰ

ভিতৰত ডেকা-গাভৰুৰ বুঢ়া-বুঢ়ীৰ টনাটনি, আজোৰ-পিজোৰ কিহৰ কাৰণে? মোৰ বুকুত এইকুৰা কিহৰ জুই ঈৰ্ষানে প্ৰতিহিংসাৰ? বৃদ্ধ পূজাৰীয়েও আঁৰতিৰ সময়ত গাভৰুৰ মুখত কি দেখা পায়? সলজ্জিত বদনে গাভৰুৱে ওঁঠ-টিপি হাঁহে কিয়? বয়োবৃদ্ধা যুৱতীয়ে হালি পৰা স্তন যুগল উন্নত কৰি কিয় প্ৰদৰ্শণ কৰে? মোৰ চকুত কিহৰ সন্ধান—কিহৰ কটাক্ষ! তিনি আলিৰ মূৰত থকা পাণ দোকানখনৰ আগত মই চুৰট হুপি-হুপি কিয় বৈ থাকো? কেতিয়াবা পৃথিৱীৰ প্ৰতি, মানুহৰ প্ৰতি কিবা এটা উৎকত ঘৃণাতে মোৰ নাক-মুখ কোচ খাই যায়। পৃথিবীত দয়া-ধৰ্ম্ম, মৰম-স্নেহ একোৱেই নোহোৱা হ'ল। অন্যায় অনাচাৰ অবিচাৰে পৃথিবী পোত গৈছে। আকৌ ভাবো, সৃষ্টিৰ ওপৰত কিয় মই বিষোদনাৰ কৰিব লগা হৈছে? ময়ো মানুহ—সৃষ্টিৰ অংশ! মই প্ৰাণ বিদ্বেষী। মই ঈশ্বৰ বিদ্বেষী! মই ভুলৰ পূজাৰী। ইয়াৰ প্ৰতিকাৰ!

দিনে দিনে মৃত্যুৰ পথত আগবাঢ়ি গৈছো। দেহা মোৰ শুকাই গৈছে। বুকুৰ হাড় মোৰ গণিব পৰা হ'ল। শৰীৰত মোৰ বল নাই। মই দুৰ্ব্বল হৈ পৰিছো! পেটত মোৰ ভাত নাই, ভোকত মই কলমকতিয়াই আছো। জেপত মোৰ পইচা নাই। মই একেবাৰে নিঃসহায় আৰু উপায়হীন। তথাপিও মোৰ হিয়াৰ আবেগময় অনুভূতিটোৰ মৃত্যু ঘটা নাই। সতেজ সবল আনন্দময়। ই কি খায়

জীয়াই আছে! দুখৰ মাজতো মোৰ মুখত হাঁহি ফুটাই তুলিছে। পৃথিৱীত জীয়াই থকাৰ অমোঘ মোহ মোৰ হিয়াত ক্ষণে-ক্ষণে, পলে পলে জগাই তুলিছে। পৃথিৱীখন, নীলা আকাশখন মোৰ ভাল লাগে।

মই জীয়াই থাকিব লাগিব। কিন্তু জীয়াই থকাৰ উপায়। জীয়াই থাকিবলৈ মানুহক লাগে কি ?

জীৱিকাৰ উপায় বিচাৰি, জীয়াই থকাৰ মোহত ৰাজ পথ এৰি শ্বিলং পালোহি। সুন্দৰ মনমোহা দৃশ্য! সুন্দৰ প্ৰকৃতি। সুন্দৰ স্বাস্থ্য। মোৰ দেশৰ কেন্দ্ৰ— মগজু। দেশৰ কৰ্ণধাৰসকল— ভাগ্যহাৰাৰ ভাগ্যদাতা বিধাতাসকল ইয়াতে থাকে। দৰিদ্ৰ নাৰায়ণৰ সেৱাৰ স্থল। অন্নপূৰ্ণাৰ দেশ! বঞ্চিত নকৰে কিঞ্চিৎ দানেৰে বৃত্তৰ পৰিধিত কোনো এক বিন্দুত স্থাপন কৰে। হাজাৰ-বিজাৰ ভোকাতুৰৰ দল ইয়ালৈ চাকৰি বিচাৰি আহে।

শ্বিলং খন অফিচাৰ আৰু কেৰাণী বিলাকৰ ইন্দ্ৰপুৰী। নন্দন কানন অমৰাৱতী। অপেশ্বৰাৰ নৃত্য-গীতত চিৰ সেউজীয়া—চিৰ বসন্তত মুখৰিত।

পুৰুষ ও প্ৰকৃতিৰ অবাধ গতি। পৰ-অপৰৰ ভাৱ নাই। দোকান-পোহাৰ দিয়া-কৰাৰ পৰা অফিচৰ 'বিয়েৰাৰ'ৰ কামলৈকে নাৰীৰ অধিপত্য। ইহঁতৰ হিয়াত সংঘৰ্ষৰ স্থল নাইনে কি ?

চাকৰি বিচাৰি আহি ববৰজাৰ পালোহি। পৰীয়ে

পোহাৰ মেলিছে। জীৱন মেলাৰ পাতনি। মুখৰ আগত তামোল পাণ, আলু কচুৰ এখন আকৰ্ষণীয় পোহাৰ। চকুত সন্ধানী কটাক্ষ। আহিছে মানুহ: গৈছে মানুহ। প্ৰাণহীন, স্পন্দনহীন। ইয়াতৰ ধমনিত তপত তেজৰ পিৰপিৰণি নাই।

—আৰে তই ইয়াত!—চক খাই উঠিলো। অচিন্তই পাচফালৰ পৰা মাতিলে।

—ইয়াতে ভাই!—অচিন্তক কলো।

—কাহানি আহিলিৰে? তোৰ একো খবৰেই নাপাও। কি কৰিছ কচোন এতিয়া? পৰীক্ষা দিছিলি নহয় এইবাৰ? পাচ কৰিছ? পাচ কৰিবিয়ে চোকা লৰা!—চেদ ভেদ নোহোৱাকৈ সি কৈ গ'ল।

—কালিয়ে আহিলো। খবৰ আৰু এইয়া দেখিছেই। শিচলঙলৈ আহিব লগা হৈছো।—

—শিচলঙলৈ দুবিধ মানুহ আহে বুইছ। এবিধ আহে চাকৰি বিচাৰি আৰু 'ইন্টাৰভিউ' দিবলৈ। আনবিধ আহে 'প্লিজাৰ'ৰ কাৰণে। তই কোন বিধৰ?—

—নিবনুৱা সমস্যা এটা সমাধান কৰিম বুলিহে আহিছো। জানই নহয় আমাৰ অৱস্থাৰ কথা।—

—আছ ক'ত—

—নিউ হোটেলত।--

—নিউ হোটেলত! মোৰ তাতে নগলি-কিয়?-

—এইটো তইহে নালাগে কেতিয়াবা ময়ো কওঁ। ইও এক ৰাজনীতি ভাই। তই কত থাক, কি খাওঁ কোনে জানে তোৰ বাহিৰে! কেতিয়াবা চিঠি পত্ৰ দিয় জানো?—

—বাৰু ভালেই কৰিছ দে! বহুদিনৰ মূৰত লগ পাইছো আজি মোৰ তাতে থাকিবি। ইয়াত কৰিছ কি?—

—বজাৰ চাব আহিছো।—

—ভাল লাগে নহয়?—

—ভাল লাগে।—তাৰ ইঙ্গিত বুজি কলো।

—বুজিছ, শিচলঙত থাকি আৰাম আছে। ইয়াত 'লাইফ' আছে অ'। ইহঁত এই দোকানখনৰ কাৰণেই ইয়াত দিনটো বহি থাকে বুলি ভাবিছনে কি? সামান্য তামোল পানৰ দোকান এখনৰ পৰানো ইহঁতৰ কিমান আয়। ইহঁতৰ ব্যবসায় তলে তলে বহুত।—

—বৰ দুখীয়া চাগে।—

—দুখীয়াও সচাঁ। কিছুমানৰ বিলাসিতা আৰু কিছুমানৰ ব্যৱসায়। বৰ ভাল লাগে ইহঁতক।—

—নহয়। মোৰ বিশ্বাস নহয়।—ইহঁত বৰ অভাৱ গ্ৰস্ত।

—বুজিছ; আজি তিনি বছৰৰ অভিজ্ঞতা। ইহঁত নৰ্থকা-হেঁতেন শিচলংখন মৰুভূমিৰ নিচিনা হলহেতেন। বৰ গধুৰ বোজা এটা কাঢ়ি নিয়ে ইহঁতে আমাৰ।—

—ঘৰলৈ যাবলৈ এৰি দিলিনে কি?—

—মনগলে দুই এদিনৰ কাৰণে যাও বন্ধত। ইয়াত

আছো। ইহঁতৰ লগতে হাঁহিছো মাতিছো আনন্দ কৰিছো। মনটো মুকলি। শিচলংখন এৰিবৰে মন নাযায়। ঘৰলৈ গলে মাহঁতে বিয়া পতাৰ কথাহে কয়। যাবৰে মন নাযায়।—

—বিয়া নকৰাও কিয়?—

—তিনিকুৰি পোন্ধৰটকীয়া কেৰাণীগিৰি কৰি বিবাহিত জীৱনৰ সুখ আশা কৰাতো দুৰাশা মাথো। এয়ে ভাল।—

—তহঁতৰ হিয়াত প্ৰতিক্ৰিয়া নহয়।—

—প্ৰতিক্ৰিয়াৰ প্ৰতিশোধক আৰু প্ৰতিৰোধক ইহঁত।—কি হ'ল?—মনে মনে থাকিলি?—

—একো হোৱা নাই। ইহঁতে জানো তহঁতক মৰম কৰিব পাৰে? তাত জানো প্ৰাণৰ আবেগময় আহ্বান আছে?—

—যুদ্ধলৈ ওলালে মৰম চেনেহক বিসৰ্জ্জন দি মৃত্যুক আগত লব লাগিব। নীতি নিয়ম বাদ দি নিৰ্ভীক হ'ব লাগিব। ভয়াতুৰ ভাবুকে যুজ কৰিব নোৱাৰে। আমাক প্ৰতিকাৰ লাগে।—পৰিণাম নালাগে।—

—সমাজ বিদ্বেষী দুৰ্নীতি পৰায়ণ হিংসামূলক অপকৰ্ম্মৰ কাৰণে তহঁতৰ মনলৈ অনুশোচনা নাহেনে?—

—সমাজেই ইয়াক জন্ম দিছে। সমাজেই ইয়াক লালন পালন কৰিছে। আমাক শাসন কৰা নীতি নিয়মবিলাক ইয়াতে ৰচনা হৈছে। কিন্তু সেইবিলাক নীতিয়ে ইয়াত কাম নিদিয়ে। জন্ম অতি জঘন্য—অবিশ্বাস্য। জন্ম সত্য—

সেযে আনন্দ। ইয়াত আকর্ষণো নাই বিকর্ষণো নাই। যেয়ে যি পাইছে তাকে সামৰি লৈছে. তাতে সন্তোষ আৰু সেয়ে ভাল।—

—অবাস্তৱ ধাৰণা।—

—যাবিনে কি মোৰ লগত। তোক সকলো দেখুৱাই আনিম। আহ!—

হঠাতে ওখ। হঠাতে চাপৰ। অকোৰা পকোৰা বাট। আন্ধাৰত ডুব গৈ আছে। আমি আগবাঢ়ি গৈ আছো। বাটত অচিন্তই কলে— তই আকৌ ‘নাৰভাচ’ নকৰিবি। নতুন মানুহ বুলি জানিলে সিহঁতে দিগদাৰিও দিব পাৰে।—

ৰাস্তাৰ পৰা বহুত তললৈ নামি আহিলো। কিয় আহিছো, কলৈ আহিছো মই জানো। কিন্তু সেই সময়ত মোৰ সকলো বিবেচনা শক্তি হেৰুৱাই অচিন্তই কোৱাৰ দৰে নিৰ্ভীক হৈ পৰিলো। মোৰ বুকুৰ ভিতৰত এটা অনিশ্চিত ভয়। অচিন্তই দুৱাৰত টোকৰ দিলে। —কোন?- এজনী যুৱতীয়ে দুৱাৰখন খুলি দিলে। ছোৱালীজনীয়ে দুৱাৰখন খুলি একষৰীয়া হৈ আমালৈ চাই ৰ'ল। আকৃতি প্ৰকৃতিৰ কোনো পৰিবৰ্তন নহল। অচিন্ত সোমায় গ'ল। তাৰ পাচত মই। ঘৰটোৰ ভিতৰত এটা চুকত এজনী বুঢ়ীয়ে এটা পাত্ৰত কিবা সিজাই আছিল। বুঢ়ীজনীয়ে আমাক লক্ষ্য কৰা নাই। আমাৰ

ফালে পিঠি দি তাইৰ কামত ব্যস্ত। ছোৱালীজনীয়ে আমাক বহিবলৈ দিলে। আমাক সোমায় যোৱা দেখি আন দুজনী ছোৱালীয়ে আমাৰ ফালে চাই ৰ'ল। কোঠা-টোত তেল, স্নো, পাউদাৰৰ এটা মৃদু গোন্ধ। অচিন্তই মোক চকুৰ ইঙ্গিতেৰে কিবা এটা কলে। মই গপচত বহি থাকিলো। তাৰ ইঙ্গিতৰ অৰ্থ বুজি নাপালো।
—অচিন্তই হিন্দিত কথা বতৰা পাতিছিল। সিহঁতে কি হিন্দি কৈছিল মই নাজানো। হিন্দিৰ শুদ্ধা শুদ্ধ বিচাৰ কৰিব পৰা শক্তি মোৰ নাই। কিন্তু কথোপকথন খিনিৰ অৰ্থ বুজি পোৱাত কোনো ব্যাঘাত নহৈছিল। সিহঁতৰ কথোপকথন খিনি শুনি গলো। লগে লগে অচিন্তই জেপৰ পৰা কিবা এটা উলিয়াই দিলে।

সিহঁত নিমাত, সিহঁতৰ লাজ নাই। সিহঁতৰ মান নাই সিহঁতৰ ভেম নাই, গপ নাই। সিহঁতৰ ভয় নাই। সিহঁত নিৰ্ভীক, অবাক হৈ বহি থাকিলো সিহঁতকে চায়। সিহঁত এজনী ছোৱালী নিমিষতে আমাৰ চকুৰ আঁতৰ হ'ল। তাই অলপ শকত আছিল। সেইটোৱেই আছিল তাইৰ নাৰী সৌন্দৰ্য্যৰ দৈহিক খুত। মই অচিন্তৰ মতামতৰ বিৰুদ্ধে কোনো মাত নামাতিলো। মোৰ মুখৰ মাত, অন্তৰৰ মৰম নিষ্ঠুৰ ভাৱে মৃত্যু মুখত পতিত হ'ল। শকত ছোৱালী জনীৰ মুখলৈ খুউব চাইছিলো। তাইৰ প্ৰতি মোৰ এটা বেলেগ মোহ

উপজিছিল। তাই লজ্জাশীলা আছিল। মোৰ চকুলৈ চাইছিল আৰু অলপ হাঁহিছিল। হাঁহিটোত অন্তৰৰ সৰল আবেগময় অনুভূতিৰ ক্ষীণ আভা প্ৰকাশ পাইছিল. কোনোবাই যেন জোৰ কৰি তাইৰ ইচ্ছাৰ বিৰুদ্ধে অন্তৰৰ কোমল অনুভূতি সমূহক নিষ্ঠুৰ ভাৱে হত্যা কৰিছে। মনটো তোলপাৰ লাগিল—কিবা এটা অজান ভাৱত। বিচিত্ৰ মানুহৰ লীলা! বিচিত্ৰ মানুহৰ খেলা! ইহঁতৰ ভিতৰতো প্ৰতিদ্বন্দিতা চলে। ৰূপ নাথাকিলে ইহঁতৰ জীৱনো ব্যৰ্থ।

মোৰ তেতিয়া মনত পৰিছিল বীণা, মনিকা, ইলী আৰু নিৰলালৈ। সিহঁতে মোক হাঁহিমুখে বিদায় দিছিল। মোৰ হিয়াৰ কৰুণ বিননিয়ে ও সিহঁতৰ হিয়া জয় কৰিব নোৱাৰিলে।

মোৰ কাষত দৰকাল দি বৈ থকা যুৱতীৰ মুখলৈ চালো। তেজে ফুটো ফুটো কৰা দুখন নিপোটল গাল। লিপষ্টিকেৰে বোলোৱা ওঁঠ। চকুত উজ্জ্বল জ্যোতি। হিয়াৰ মৰম সনা আহ্বান তাত নাই। আছে তাত নিষ্ঠুৰ অনাদৃত তৃপ্তিৰ কৰাল আহ্বান। সুঠাম দেহৰ গঠন। গোট—গোট হাত; গোট—গোট ভৰি। দেখিলেই মৰম ওপজে; মোহ লাগে।

একেথিৰে তাইৰ মুখলৈকে চাই থাকিলো; খন্তেকৰ দেখা শুনা। স্বৰ্গচ্যুতা দেৱীনে মানৱী এই!

নাই ছদ্মবেশীণী ৰাক্ষসী ! মোক গ্ৰাস কৰিবলৈ আহিছে। এই মোৰ কি হয় ! এই মোক দিব কি ! এইৰ মোৰ কাৰণে কিমান দৰদ !

প্ৰতিশোধৰ অগনিত নিজে নিজেই ভস্ম হৈ গৈছিলো তেতিয়া................ ।

—শেষ—

HALL & LIBRARY
JUL 1959
GAUHATI